জানুয়ারী-২০০০-১০.০০ টাকা

চান্দমামা

Create your own Toons!!
FREE
Funfaces sticker
Fun Faces
Wicked Toon has an ace up his sleeve
Lucky Toon keeps u in favour
Reveal the secrets of Pirate Toon
Colouring has never been so much of fun.
And now there's more...
Mix 'n Match and create your own Toons with the New Funfaces sticker free along with every pack of
Reynolds™
ARTOONS™
Long Colouring Pens
Fun Strokes that go on and on

চান্দমামা

জানুৱাৰি ২০০০

বছৰ : ২৩ সংখ্যা : ১০

শেহ শৰ	... ৭
বুকাৰ-বঁটা	... ৯
জীৱনৰ সুখৰ মুখ	...১১
সম্ৰাট অশোক	...১৭
সাজ চাই চাপৰি	...২৫
বিশ্বাস	...৩২
নৈ-পাৰে নৈ-পাৰে	...৩৩
ভূত ক'ত থাকে	...৩৭
বৃটিছ-বিৰোধী-যুঁজাৰু	...৪১
মহাভাৰত	...৪৫
চান্দমামাৰ জবৰ-খবৰ	...৫২
চান্দমামাৰ কোলাৰ কাকত	...৫৩
বিদ্ৰোহৰ বীৰগাথা	...৫৬
যাৰ কোনো বিকল্প নাই	...৬১
ফোটো-নামকৰণ	...৬৬

সাজ চাই চাপৰি

বিদ্ৰোহৰ বীৰগাথা

খনে : ১০.০০

বছৰি : ১২০.০০

Printed and Published by B. Viswanatha Reddi at B.N.K Press Pvt. Ltd., Chennai–600 026 on behalf of Chandamama India Limited, Chandamama Buildings, Vadapalani, Chennai–600 026. Editor: Viswam

THE MOST
ENDEARING
GIFT
YOU CAN
THINK OF
FOR YOUR
NEAR AND DEAR ONES
FAR AWAY

CHANDAMAMA

GIVE THEM
A
MAGAZINE
IN THE LANGUAGE
OF THEIR CHOICE

ASSAMESE, BANGLA, ENGLISH, GUJARATI, HINDI, KANNADA, MALAYALAM, MARATHI, ORIYA, SANSKRIT, TAMIL AND TELUGU

AND LET THEM ENJOY THE WARMTH
OF THE HOME AWAY FROM HOME

SUBSCRIPTION

BY AIR MAIL TO ALL COUNTRIES

Six issues Rs. **300**
Twelve issues Rs. **500**
by surface mail within India
Twelve issues Rs. **120**

Send your remittances
by Demand Draft or Money Order
favouring 'Chandamama India Limited'

to:

PUBLICATION DIVISION
CHANDAMAMA INDIA LIMITED
CHANDAMAMA BUILDINGS, VADAPALANI, CHENNAI-600 026

Founded by
CHAKRAPANI
B. NAGI REDDI
Editor
VISWAM
Editorial Advisors
RUSKIN BOND
MANOJ DAS
Designing & Technical Advisor
UTTAM
Publisher
B. VISWANATHA REDDI
Director Marketing
V. MADHUSUDHAN
HEAD OFFICE
Chandamama Buildings
Vadapalani, Chennai–600 026
Tel: 4841778 Fax: 4835298
OTHER OFFICES
BHUBANESWAR
116-B, B.D.A, Duplex House
Baramunda
Bhubaneswar-751 003
Orissa. Phone: 55 0534
DELHI
Flat No. 415, 4 th Floor
Pratap Bhawan
5, Bahadurshag Zafar Marg
New Delhi-110 002.
Phone: 2270199
MUMBAI
2/B Naaz Buildings
Lamington Road,
Mumbai-400 004
Phone: 3889763-3886324-3877110
Fax: 3889670

The stories, articles and designs contained in this issue are the exclusive property of the Publishers and copying or adapting them in any manner/ medium will be dealt with according to law.

এটি আশাৰ সময়

পৃথিবীৰ আবহাওয়াত আছে এক আশা আৰ প্ৰত্যাশাৰ কম্পন। আমি এক মূল্যবান সময় অতিক্ৰম কৰি গৈ আছো, এইটো এটা নতুন শতকৰ আৰম্ভনিই নহয় পৰন্ত এটা নতুন হেজাৰ বছৰৰ আৰম্ভনি। এইটো কোনো আচৰিত নহয় যে আমি ইয়াৰ বাবে উত্তেজনা অনুভৱ কৰা উচিত।

২০০০ চনটো হল ২০ শতাংশৰ সমাপ্ত আৰু ২১ শতাংশৰ আৰম্ভনিৰ সময়। কিন্তু ঘটনাটো হল ক্ষুদ্ৰ। আমি ভালদৰে এই নতুন বছৰটো দুটা শতকৰ সেঁতু হিচাপে গন্য কৰিব পাৰো।

এই নতুন শতক আৰু হেজাৰ বছৰ কেইটাত কি আশা আৰু প্ৰত্যাশাৰ কোনো বিশেষ তাতপৰ্য্য আমাৰ চকুৰ সম্মুখত আছে? ৱাস্তৱিকতে, আছে। এই বিষয়ে আমাৰ আশা ভাল হব লাগে, এই বিষয়ে আমাৰ প্ৰত্যাশা হব লাগে এক উজ্জ্বল ভবিষ্যতৰ প্ৰত্যাশা। ২০ শতাংশত মানুহে বহুতো বিপদত ভুগিছে। তাৰ ভিতৰত হল - বিশ্বযুদ্ধ, পাকিস্তান আৰ ভাৰতৰ, আৰ বহুতো আৰু এইদৰেই। তাৰভিতৰত কিছুমান হল প্ৰাকৃতিক, যেনে ভুকম্প, ধুমুহা বতাহ আৰু প্ৰচণ্ড ধুমুহা বতাহ যেনে অলপ দিন আগত ঘটা উৰিষ্যাৰ ঘটনাটো। কিন্তু মানব্ জাতিটো মহৎ আদৰ্শবাদ নিউক্লিয়াৰ বোমা ৰখাৰ পাছত ও যুক্ত ৰাষ্ট্ৰটো স্থিৰ-আছে। প্ৰাকৃতিক দুৰ্দশাৰ সময়ত, শান্তি ভোগ কৰা মানুহবিলাকে নিকট আৰু দূৰৰ পৰা সহানুভূতি পায়।

বলা আমি সকলো মানৱজাতিটো ও লাই আহি ভবিষ্যতৰ বাবে উচ্চাকাংখা কৰো।

সংস্থাপক
চক্ৰপানী
বিঃ নাগীৰেড্ডী

পৃথিৱীৰ খিৰিকেৰে

পাকিস্তান ঃ ঘত গণতন্ত্ৰ শোকার্ত

১৯৪৭ চনত আমাৰ পূৰনি ভাৰতবৰ্ষ বিভক্ত হয়। যত বৃহৎ অংশটোৰ নাম হয় ভাৰতবৰ্ষ আৰু সৰু অংশটোৰ নাম হয় পাকিস্তান।

যত ভাৰতবৰ্ষটো হৈ থাকে ধৰ্মনিৰপেক্ষ, কোনো ধৰ্মক সৰকাৰী ধৰ্ম হিচাপে ঘোষণা নকৰাকৈ থাকে। ১৯৫৬ চনত পাকিস্তান নিজক ইছলামিক প্ৰজাতান্ত্ৰিক ৰাষ্ট্ৰ হিচাপে ঘোষণা কৰে।

স্বাধীনতাৰ সময়ত দুয়োটা দেশই গনতন্ত্ৰৰ শপত খায়। দুয়োটা দেশই স্থিৰ কৰে যে নিৰ্বাচন অবলম্বন কৰিব আৰু কোনে চৰকাৰ চলাব পাৰে তাৰ বাবে মানুহৰ অনুমতি দিয়া হব। গনতন্ত্ৰৰ বহুতো দুৰ্বলতা আছে, কিন্তু সবোতকৈ ভাঙৰ গুনটো হল যে ইয়াত মানুহৰ ইচ্ছা বলবৎ কৰা হয়। যুগে যুগে সিহঁতৰ নিয়মবিলাক শান্তিপূৰ্ন ভাবে পৰিবৰ্তন কৰি আহিছে। ক্ষমতালোভী একনায়কে যেতিয়া শাসন কৰে, তেতিয়া হিংসা নোহোৱাকৈ তাক ক্ষমতাচ্যুত কৰা সহজ নহয়।

ভাৰতবৰ্ষ গৰ্ব কৰিব পাৰে যে, ই এটা ধৰ্ম নিৰপেক্ষ আৰু গনতান্ত্ৰিক ৰাষ্ট্ৰ-তাৰু পৰি পৃথিৱীৰ ভিতৰত সৰ্ববৃহৎ গনতান্ত্ৰিক ৰাষ্ট্ৰ। কিন্তু দুৰ্ভাগ্যক্ৰমত, পাকিস্তানত এনেকুৱা নহয়। ১৯৫৮ চনত মাছাল আয়ুব খানে শক্তি কাঢ়ি লয়। তেঁখেতে এই সংবিধান পৰিবৰ্তন কৰে আৰু সমনীয়া ব্যক্তি জেনেৰেল ইয়াহা খানৰ লগত সাক্ষাত কৰে যোনে ১৯৬৯ চনত তেঁখেতক হাম খুৰিখাই পেলায়।

১৯৭১ চনত ইয়াহয়ে পূৰ্ব পাকিস্তানৰ (আগৰ পূৰ্ব বাংলা আৰু আজিৰ বাংলাদেশ) মানুহৰ ওপৰত পশুৰ দৰে শাসন ব্যবস্থা চলায়। পূৰ্ব পাকিস্তানৰ বঙালী মানুহৰ সংখ্যা লাখৰ সমান, উভয়ই হল হিন্দু আৰু মুসলমান, সিহঁত ভাৰতবৰ্ষৰ পৰা বৰ্জিত। ভাৰতবৰ্ষ বিষয়বস্তুৰ মাজত সোমোৱাৰ বাবে বাধ্য কৰে। ভাৰতীয় সৈন্য বাংলাদেশীৰ সহায়ত ঢাকালৈকে সোমায় আৰু পাকিস্তানী সৈন্য নম্ৰ হয়। মুক্ত স্বাধীন বাংলাদেশৰ জন্ম হল।

লজ্জিত ইয়হা খানে ৰাজনীতিজ্ঞ ভুট্টুৰ হাতত ক্ষমতা অৰ্পন কৰে। ১৯৭৭ চনত, এই বিশৃংখলাৰ সময়ত সেনাপতি জিয়া-যুল হকে ক্ষমতা লয়। তেঁখেতে অতিশে নকালে গনতন্ত্ৰ ৰক্ষাৰ বাবে প্ৰতিজ্ঞা কৰে কিন্তু তাৰ কথাত উভতি আহে। ভুট্টু এটা খুনত দোষাৰোপ হয় আৰ তেঁখেতক ফাঁচি দিয়া হয়।

১৯৮৮ চনত জিয়া-যুল হকৰ ৰহস্যময় বিমান দুৰ্ঘটনাত মৃত্যু হয়। এখন নিৰ্বাচন হয় আৰু ভুট্টোৰ ছোৱালী বেনাজীৰ ভুট্টো, পাকিস্তানী মানুহৰ নেতা, প্ৰধানমন্ত্ৰী হয়।

কিন্তু তাইৰ শাসন সীমিত কালৰ বাবে আছিল। ৰাষ্ট্ৰপতি, গুলাম ইছাক্ খানে তাইক পদচ্যুত কৰে। পৰবৰ্তী নিৰ্বচনত (১৯৯০) ইছলামী জামহোৰি দলৰ নৱাজ শৰিফে ক্ষমতাত আহে। ১৯৯৩ চনত ৰাষ্ট্ৰপতিয়ে তেঁখেতক পদচ্যুত কৰে। সেই একেই বছৰত নিৰ্বাচনত বেনাজীৰ ভুট্টোৰ দলে জয়লাভ কৰে আৰু তাই প্ৰধানমন্ত্ৰী হয়। তাই ও পদচ্যুত হয় আৰু ১৯৯৭, চনত নৱাজ শৰিফে পুনৰায় প্ৰধানমন্ত্ৰী হয়।

হঠাৎ, ১৯৯৯ চনত ১২ অক্টোবৰত সেনাধ্যক্ষ, জেনেৰেল পাৰভেজ মুশহাৰাফ, যোনে প্ৰধানমন্ত্ৰীৰ দ্বাৰা পদচ্যুত হয়, পৰ্য্যায়ক্ৰমে কৌশল আৰু বলপূৰ্বক ভাবে ক্ষমতা লয়। শোৰিফৰ দ্বাৰা তেঁখেতক কাৰাবন্দী কৰা হয়। তেঁখেতে কিছু সংঘ্যক দোষত দোষাৰুপ কৰাৰ বাবে চেষ্টা কৰিছিল।

বিশ্বৰ নেতা সকলে পাকিস্তানৰ এই অস্বাভাবিক পৰিবৰ্তনক স্বীকাৰ কৰা নাই। শৰিফে কি কৰিছে সেইটো ন্যায়সম্মত হৈছে। এজন ভচ্চপদস্ত কৰ্মচাৰীক পদচ্যুত কৰাৰ ক্ষমতা প্ৰধানমন্ত্ৰীৰ আছে। মুশহাৰাফে কি কৰিছে সেইটো গনতন্ত্ৰ আৰু সংবিধানৰ চৰম বিপৰিত। কোনো উচ্চপদস্থ কৰ্মচাৰী, যিমান ভাঙৰ নঁহওক কিয় এজন প্ৰধানমন্ত্ৰীক কেতিয়াও পদচ্যত কৰিব নোৱাৰে। প্ৰশ্ন হব নালাগে যে কোনে ভাল-শৰিফ বা মুশহাৰাফ। পৃথিবীৰ সকলো নেতাৰ মত মুশহাৰফৰ অভিযোগৰ বিপৰীত আছিল।



চান্দমামা



প্ৰায় আধাশতিকা ধৰি চান্দামামাই ভাৰতবৰ্ষৰ শিশুসকলক ৰামধেনু সেতুৰ দৰে পৰিবেশন কৰি আহিছে। ইংৰাজী আৰু সংস্কৃতকে ধৰি আন বাৰটা (১২) স্থানীয় ভাষাত ইজনে সিজনৰ লগত কথা পাতি আহিছে।

বহু লাখ যুব পটোৰৈ আৰু তেওঁলোকৰ অভিভাবকে এটা নতুন ধৰনৰ অতিজ্ঞতা লাভ কৰিছে।

নতুন শতিকাৰ আৰম্ভনিত দেশ আৰ নতুনশতিকাক আপোনাৰ আলোচনীয়ে নতুন দিশত মনযোগ দিছে। ভাৰতৰ সবাতোকৈ ভালপোৱা বিক্ষাত কাহিনীকাৰ ৰুচকিন বণ্ড আৰু মনোজ দাসক সম্পাদকৰ উপদেষ্টা ৰূপে পোৱাতো।

আৰ এবাৰ চান্দমামাৰ সমৃদ্ধ বিষয়বস্তুৰ ওপৰত চকু ফৰোৱা যাওক।

চান্দমামা 2000

ভাৰতবৰ্ষৰ কাহিনী :

গোটেই পৃথিবীত বহুতো সভ্যতা আছে, কিন্তু ভাৰতবৰ্ষৰ সভ্যতা আৰু সংস্কৃতি যি নেকি বছৰ দিন ধৰি নিৰিবিছিন্নভাবে আছে, সেইতো আন কোনো দেশেই দাবী কৰিব নোৱাৰে। কিন্তু কিহে এই ধাৰাতো এতিয়াও ধৰি আছে ? অতীতৰ সেই মহামানব আৰু ধূনীয়া চৰিত্ৰসমূহে, যিতো এতিয়া উদ্ধাৰ হোৱা নাই।

ভাৰত তেতিয়া আৰ এতিয়া :

কিয় এতিয়াৰ আধুনিক গুৱাহাটী তেতিয়াৰ প্ৰাগজ্যোতিষপুৰ বুলি জনা গৈছিল ? কেনেকৈ মুম্বাই এখন আধুনিক মহানগৰীলে ৰূপান্তৰিত হ'ল যি নেকি আগৰ ক্ষুদ্ৰ সমষ্টি আছিল। গোটেই পৃথিবীৰ ভিতৰতে ভাৰতবৰ্ষত সকলোতকৈ বেছি সংক্ষাত নগৰ দীঘলীয়া জীৱন কালৰ সৈতে আছে, সেইবোৰৰ কাহিনী আৰ বুৰঞ্জী এতিয়াৰ সময়ৰ।

এতিয়াৰ পৃথিবী :

ঘটনা সমুহত দৃষ্টি নিক্ষেপ কৰা ।

এই মাহৰ ব্যক্তি :

এই চলিত মাহত এজন প্ৰভাবশালী ব্যাক্তিৰ জন্ম হয়।

ডিচকভাৰী অব ইণ্ডিয়া :

ভাৰতবৰ্ষৰ সাহিত্য, সংস্কৃতি আৰু দৰ্শনৰ ওপৰত কুইজ। জ্ঞান আৰ সাহিত্যৰে ভৰপুৰ প্ৰায় আধাডজন গল্প। ইয়াৰ ওপৰিও ভাল ইংৰাজী, বাতৰিৰ অংশ বিশেষ, অবিশ্বাস্য সত্য কাহিনী আৰু কুপিৰ দৰে তথ্য।

চান্দমামা ২০০০ - আপোনাৰ জীবনৰ সহযোগিতা আৰ সঠিক দিক্-নিৰ্ণয়যে

নতুন দিগন্ত দেখাব।



THANK YOU THE FOURTH ESTATE!

The news of the reappearance of *Chandamama* was no doubt a delight for the young and that was only expected, but what gave us an added reassurance was the warm coverage of the event by the media. Several major newspapers, in English and other languages, carried the good tide to their readers and the BBC and the Doordarshan Metro (*Aaj Tak* of TV Today) telecast interviews with the publishers highlighting the spirit behind the publication–which is to familiarise the young with the different aspects of the heritage of India through tales, legends, quizzes, and other features, while inspiring them to enter the new millennium with a faith in the future.

We thank the media and wish them a bon voyage into the new era along with *Chandamama*.

Simultaneously, we wish the same to our numerous readers and would-be readers, writers, distributors, agents, and other collaborators and well-wishers who reiterated their support to the publication as soon as the news of its re-launch reached them.

— Publisher

MORE FOR OUR READERS

We are overwhelmed by the welcome extended by our readers on hearing about the relaunching of their favourite magazine and by their reaction on seeing the first issue for December 1999.



We are extremely grateful for their words of praise, unequivocal support, encouragement, and suggestions.

Among them are puzzles, quizzes, painting contests, and essay-writing competitions which will tap their talents. All these are being planned.

Our subsequent issues will carry details. Our readers may watch out for the announcements. Meanwhile, keep writing to us.

—Editor

জীৱনৰ সুখৰ মুখ

ৰমেশ আছিল অকলশৰীয়া মানুহ। তাৰ আপোন বুলিবলৈকোনো ক'তো নাছিল। আৰু—ৰমেশ আছিল ওপজাৰেপৰাই কুঁজা। সা-সম্পত্তি বোলোঁতে আছিল ৰমেশৰ পিতাকে এৰি থৈ যোৱা পাঁজাঘৰ এটা। ৰমেশে পুৰি, কুচুৰি আদি বনাই বেচিছিল, আৰু তাৰেই কথমপি জীৱিকা আৰ্জিছিল।

ৰমেশৰ ঘৰৰ কাষৰীয়া ঘৰটো বেচা গৈছিল আৰু ঘৰটো ৰংগনাথে কিনি লৈছিল। এসময়ত ৰংগনাথে চহৰত বেহা-বেপাৰ কৰি ধনেদি মঠ সাজিবৰ মনেৰে চহৰলৈ গৈছিল, কিন্তু পাছত কথা বিপৰীত হোৱাত পুনৰ গাঁৱলৈ উভতি অহছিল আৰু গাঁৱতে খেতিবাতি কৰি পা-পৰিয়ালে পেট প্ৰবৰ্তোৱাৰচেষ্টাত লাগিল।

ৰংগনাথৰ আছিল দুজনী ঘৈণীয়েক। প্ৰথমজনীয়ে এজনী ছোৱালীৰ জন্ম দিয়েই—ঢুকাইছিল। এই ছোৱালীজনীৰ নাম ৰজনী। ৰজনী—দেখাই-মেলাই ভালেই—অপৰূপা নহ'লেও কুৰূপা নহয়। ৰংগনাথৰ দ্বিতীয়জনী ঘৈণীয়েকৰো এজনী ছোৱালী। এই ছোৱালীজনীৰ নাম মঞ্জৰী।

কিছুদিনৰ অন্তত এদিন কথাই-কথাই ৰংগনাথে ৰমেশক ক'লে, "বোপা, মোৰ দুয়োজনী ছোৱালীয়েই বিয়াৰ বয়স পালেহি। এই দুজনীৰ বিয়া পাতিব নোৱৰালৈকে মোৰ অন্তৰত শান্তি নাই।"

ৰংগনাথৰ কথাৰ উত্তৰত ৰমেশে একো নক'লে, মনে মনে থাকিল। এই কথাত—কিনো ক'ব কুঁজা ৰমেশে?

একোৰেই নক'লে, কিন্তু তথাপি ৰমেশৰ বুকুত—বিশেষকৈ ৰজনীজনীৰ কথা ভাবি—কেনেবা কেনেবা যেন লাগি থাকিল। ৰজনীজনীক সি প্ৰথমৰেপৰাই অন্তৰত ভাল পাই পেলাইছিল, কিন্তু মুখেৰে একো ক'বলৈহে সাহস গোটাব পৰা নাছিল।

কেইদিনমানৰ পাছত ৰংগনাথ কলিজাৰ

ভূপতি ভৰালী

গিৰিয়েকৰপৰা কথাষাৰ শুনি কমলাই কক্কাই কৈ উঠিল, "ৰজনীৰ বিয়ালৈ কিনো ইমান খৰখেদা লাগিল ? এতিয়া এইবোৰ নাভাবি নিজে বেমাৰৰপৰা ভাল হৈ উঠাৰ কথাটোকে ভাবিব লাগে দেখোন—।"

কিন্তু ৰংগনাথে আনকি নিজৰবেমাৰৰ কথাও ভাবিব নোৱাৰিলে । কিয়নো—পাছদিনাই ৰংগনাথ ঢুকাল।

ৰংগনাথ ঢুকোৱাৰ তিনিমাহমানৰ অন্তত এদিন কমলাই ৰমেশক ক'লে, "চোৰা, বোপা—ৰজনীৰ কিছুমান এনে অভ্যাস আছে যে তুমি সেইবোৰৰ যোগান ধৰিব নোৱাৰিবা। যেনে ধৰা—তাই বোৱাৰীপুৱাতে উঠি কণেৰ নামৰ এবিধ সৰু সৰু বনৰীয়া ফুলেৰে পূজা কৰে। মাজনিশাৰ পৰতে ফুলা সেই ফুল সৌ উত্তৰ দিশাত শিৱদ'ল থকা জংগলত পোৱা যায়। ইমানদিন ধৰি দেউতাৰে আনি দিছিল। তুমি হ'লা কুঁজা মানুহ। সদায় মাজনিশা তালৈ গৈ তাইৰ কাৰণে কণেৰ ফুল বুটলি আনিব পাৰিবা জানো ?"

ৰমেশে টপৰাই ক'লে, "এই কাম বৰ ডাঙৰ কাম নহয়, পাৰিম।"

সেই নিশাতেই ৰমেশ শিৱদ'লৰ জংগললৈ গ'ল । শিৱদ'ল পাই—দ'লৰ তিনিওফালে বিয়পি থকা জংগলত চুটি চুটি গছত ফুলি থকা কণেৰ ফুল দেখা পাই—সেই ফুল বুটলিবলৈ আগুৱাই গ'ল।

কিন্তু দুই-চাৰিথোপা কণেৰ ফুল বোটলোঁতেই এজোপা গছৰপৰা সুহুৰিহেন শব্দ উঠাত কুঁজা ৰমেশে ইফালে-সিফালে মূৰ

বেমাৰত পৰিল, আৰু এই অৱস্থাত—চুবুৰীয়া ৰমেশ ৰংগনাথৰ ঘৰলৈ গ'ল পাটী লোৱা ৰংগনাথক চাবলৈ।

ইকথা-সিকথাৰ অন্তত ৰংগনাথে কাতৰ কণ্ঠেৰে ৰমেশক ক'লে, "মৰাৰ আগতে—কমেও ডাঙৰ ছোৱালীজনীৰ—ৰজনীৰ বিয়াখন পাতিব পৰাহেঁতেনো—কিঞ্চিত শান্তিৰে মৰিব পাৰিলোহেঁতেন। কিন্তু—তাৰো কোনো উপায় দেখা নাই।"

ৰংগনাথৰ কথাৰ উত্তৰত ৰমেশে কৈ উঠিল, "যদি আপোনাৰ আপত্তি নাই আৰু ৰজনীৰো মত আছে, মই ৰজনীক বিয়া কৰাবলৈ সাজু।"

আৰু ঠিক তেতিয়াই ৰংগনাথৰ দ্বিতীয়জনী ঘৈণীয়েক কমলা তালৈ সোমাই আহিল।

ঘূৰাই ঘূৰাই চাবলৈ ধৰিলে।

হঠাৎ এটা আচৰিত দৃশ্য দেখা পাই কুঁজা ৰমেশ ভয়ৰ কোবতে যেনিবা আৰু কুঁজা হৈ গ'ল। ৰমেশে দেখা পালে—এজোপা গছৰ ওপৰত দীঘল চুলি এটাৰি মেলি গছৰ ডালত বহি থকা এজনী শিশু ভূতুনী!



ভয় খাই চিঞৰিবলৈ লওঁতেই কিন্তু ভূতুনীজনীয়ে ৰমেশক কৈ উঠিল, "ডৰ নকৰা। মই বলশক্তিৰ গৰ্ব কৰাহঁতকহে মাৰি পেলাওঁ, ভয়-পাদুৰাহঁতক একো নকওঁ। মোক প্ৰেতমন্ত্ৰ শিকোৱা মোৰ গুৰুক মই এই কথা দিছোঁ আৰু সেই কথা পালিও আছোঁ। —এতিয়া কোৱা, তুমি এই মাজনিশাৰ পৰতে এই এৰাবাৰীহেন হাবিলৈ কিয় আহিলানো?"

ৰমেশে কিঞ্চিত সাহস সঞ্চয় কৰি ভূতুনীক ক'লে, "প্ৰথমতে তোমাৰ কথাকে কোৱাচোন শুনো? তুমি কিয় শ্মশান এৰি ফুলনিত?"

"মই—আমাৰ ডাঙৰহঁতৰ মানা নুশুনি ওলাই—শ্মশানলৈ উভতিবৰ বাট-পথ হেৰুৱালোঁ।" শিশু ভূতুনীয়ে ক'লে।

"ঠিক আছে, চিন্তা নকৰা। মই এতিয়াই ঘৰলৈ উভতিম, তুমি মোৰ পিছে পিছে আহি থাকা—মই তোমাক মৰিশালিদেখুৱাই দিম।" ৰমেশে ভূতুনীক ক'লে।

লগে লগে শিশু ভূতুনীয়ে যাবলৈ সাজু হৈ থিয় দিলে আৰু ৰমেশক ক'লে, "মোৰ ভৰিৰ তলত কাঁইটে বিন্ধাত মই একদম খোজ কাঢ়িব নোৱৰা হৈছোঁ।"

ৰমেশে হাঁহি মাৰি ভূতুনীক ক'লে, "হাবিত শুদা ভৰিৰে খোজ কাঢ়িব নাপায়। ঠিক আছে, তুমি মোৰ কান্ধত উঠা।" কোৱাৰ লগে লগে শিশু ভূতুনী কুঁজা ৰমেশৰ কান্ধত উঠি বহিল আৰু ৰমেশ তৎক্ষণাৎ তাৰ ঘৰলৈ বুলি আগবাঢ়িল।

অলপমান দূৰলৈ গৈয়েই কুঁজা ৰমেশে—এঠাইত এজোপা গছৰ তলত বহি চাৰিটা চোৰে সোণৰ মোহৰ নিজৰ মাজত ভগাই থকা দেখা পাই থমকি ৰোৱাৰ লগে লগেই কান্ধত দীঘলঠেঙীয়া ভূতুনীৰে সৈতে ৰমেশক দেখা পায়েই—সোণৰ মোহৰ এৰি থৈ চোৰ চাৰিটায়ো ফেঁটিৰ মূৰ ছিঙা লৰ দি পলাই নোহোৱা হৈ দিলে।

ৰমেশে সেই সোণৰ মোহৰখিনি তাতেই পৰি থকা চামৰাৰ মোনাটোত ভৰাই লৈ পুনৰ খোজ দিলে আৰু চাঁওতে চাঁওতে শ্মশান



পালেগৈ। তাত—শ্মশানত তেতিয়া ডাঙৰ ডাঙৰ ভূত আৰু ভূতুনী বহি আছিল। কিন্তু ভূতুনীজনী হেৰাই যোৱাত সিহঁতে অতিপাত চিন্তাত পৰিছিল। এজন মানুহে সিহঁতৰ অতিকৈ মৰমৰ শিশু ভূতুনীজনীক কান্ধত উঠাই লৈ অহাত ভূত-ভূতুনীহঁতে একেলগে আনন্দত চিএঞৰি উঠিল আৰু তিমানতে শিশু ভূতুনীজনী ৰমেশৰ কান্ধৰপৰা জাঁপ মাৰি তললৈ নামি আহিল।

কথা অতি আচৰিতেই!

কুঁজা ৰমেশৰ কুঁজ তেতিয়া আৰু নাই!

নিমিষতে ৰমেশৰ কুঁজ নোহোৱা হ'ল। ভূতহঁতৰ আনন্দৰ চোটত ৰমেশৰ তধা লাগিছিলেই, তাৰ কুঁজ নোহোৱা হোৱাত ৰমেশ একেবাৰে হতবাক হৈ পৰিছিল।

এই বিষয়ে ভূতহঁতক সোধাত ভূতহঁতে ৰমেশক ক'লে, "আমাৰ মৰমৰজনীক তুমি কান্ধত উঠাই আনি দিলা যে—তাৰ প্ৰতিদানতে আমিতোমাৰ কুঁজ নোহোৱা কৰিলোং। এয়া হ'ল—তোমালৈ আমাৰ বঁটা।"

ভূতহঁতৰ ওচৰত অপাৰ কৃতজ্ঞতা জনাই ৰমেশে ঘৰ পালেহি। কিন্তু ৰজনীৰ সতিয়ৈ মাক কমলাক ভূত-ভূতুনীহঁতৰ কথা কোৱাৰ কাষেদিও নগৈ—তাৰ কুঁজ নোহোৱাহোৱাৰ বিষয়ে অন্য কথা ক'লে। ৰমেশে কমলাক ক'লে, "বোধকৰোঁ শিৱদ'লৰ মহিমাৰেহে মোৰ কুঁজ নোহোৱা হ'ল। মই শিৱদ'ললৈ যোৱাৰ লগে লগেই কুঁজ নিমিষতে নোহোৱা হৈ গ'ল। আৰু—আৰু তাত মই এই এইখিনি সোণৰ মোহৰো পালোঁ।"

এখন্তেক বৈ, তাতেই উপস্থিত থকা ৰজনীক ৰমেশে ক'লে, "তোমাক বিয়া কৰাম—এই ভাৱ যিদিনাই মনত জাগিল—সিদিনাৰেপৰাই মোৰ সকলোপিনে সকলো ভাল হৈ আছে। মই তোমাক বিয়া কৰালে কিজানি মোৰ এতিয়াতকৈয়ো ঢেৰ ভাল হ'ব, মোৰ কপাল ফুলিব।"

ৰমেশৰ কথাত লাজ পাই ৰজনী ঘৰৰ ভিতৰলৈ গৈ দুৱাৰৰ আঁৰত লুকাল।

কিন্তু সতিয়ৈ মাক কমলাই ঈৰ্ষাৰে জ্বলি পকি উঠিল আৰু ৰমেশক ক'লে, "বোপা, তোমাক কথা এটা ক'ৰেঁই তেন্তে। —ৰজনীৰ মন তোমাত নাই। তাই কোনোবা জমিদাৰৰ ল'ৰাক, কমেও কোনোবা অতি আঢ্যৱন্ত লোকৰ ল'ৰাক বিয়া কৰাবলৈ বিচাৰে। কিন্তু—

আমাৰ মঞ্জৰীজনীয়ে মনে-চিতে তোমাকে বিচাৰে। তুমি মঞ্জৰীক বিয়া কৰোৱা আৰু জীৱনত সুখৰ মুখ দেখা পাই সুখী হোৱাঁ।"

"হয়নে— ? ঠিক আছে, মই ভবা-গুণা কৰি কথাটো ক'ম আপোনাক।" কমলাই যে জানি-বুজি ৰজনীক বিয়া কৰোৱাত বাধা দিছে —ৰমেশে নুবুজাকৈ নাছিল।

বাহিৰপৰা কোনোবাই দুৱাৰ খটখটোৱাত ৰমেশে দুৱাৰ খুলি দিলে। আৰু লগে লগেই সেই শিশু ভূতুনী সোমাই আহিল।

শিশু ভূতুনীয়ে ৰমেশক ক'লে, "আগতে মানুহলৈ মোৰ মনত বিষম ডৰ আছিল, কিন্তু তোমাক দেখাৰপৰা সেই ডৰ নোহোৱা হ'ল। আৰু সেইহে—তুমি আমাৰ তাত এৰি থৈ অহা কণেৰ ফুলখিনি তোমাক দিবলৈ আহিলোঁ।"

তেতিয়া মাজনিশা। ইমান দুপৰ নিশা কোননো ৰমেশৰ কোঠাত ? কমলাই ৰমেশক চিঞৰিয়েই সুধিলে, "ইমান ৰাতি—কোননো তোমাৰ কোঠাত ?"

দোধোৰ-মোৰত পৰা ৰমেশে দুৱাৰ খুলি কোঠাৰ বাহিৰলৈ আহিল আৰু কমলাক ক'লে, "তাই—মোৰ মোমায়েৰৰ ছোৱালী। তাই—ক'বলৈ গ'লে—ৰাতিফুৰা। কেৱল ৰাতিৰ পৰতেহে বাহিৰলৈ ওলায় তাই। ৰজনী আৰু মঞ্জৰীৰ মাজত—কোনজনীক বিয়া কৰালে ভাল—তাইক মই সেই কথা সুধি আছিলোঁ।" এই বুলি কৈয়েই ৰমেশ পুনৰ কোঠাৰ ভিতৰলৈ সোমাই গ'ল।

কিন্তু ৰমেশৰ কথাখিনি কমলাই সঁচা বুলি মানি ল'ব নোৱাৰিলে। কমলাই মনে মনে ৰমেশ থকা কোঠাটোৰ খিৰিকীৰ কাষলৈ গ'ল, আৰু তাত সেই ভূতুনীক দেখা পালে। তেতিয়া ভূতুনীয়ে ৰমেশক কৈ আছিল, "মই লাহী ৰজনীক নেখাং, নোদোকা মঞ্জৰীকহে খাং।"

ভূতুনীক দেখি আৰু তাইৰ এইষাৰ শুনি কমলাৰ কলিজা কঁপি উঠিল।

ৰাতিপুৱাতেই কমলাই ৰমেশক ক'লেগৈ, "বোপা, তোমাৰ মন—ৰজনীত, এই কথাত মোৰ মনত অলপো সন্দেহ নাই। তোমাৰ ইচ্ছা মতেই কাম হ'ব। অহা সপ্তাহতে ভাল দিন-বাৰ আছে যদি—সেই দিনাই তোমাৰ সৈতে ৰজনীৰ যোৱা পাতি দিয়া হ'ব।"

কথা মতেই কাম হৈছিল। ৰমেশে ৰজনীক বিয়া কৰাই জীৱনৰ সুখৰ মুখ দেখিছিল।



খিয়াতিৰ এঠা

কৌশাম্বী নগৰৰ মহেশৰ একমাত্ৰ পুত্ৰ সুৰেশে যেতিয়া তাৰ পঁচিছ বছৰ বয়সতো চাকৰি এটা নাপালে, তেতিয়া মহেশ চিন্তিত হৈ উঠিল। মহেশে জানে—চাকৰিৰ অবিহনে জীৱন হয় বাকৰি।

এদিন সুৰেশক লগত লৈ মহেশ ক'ৰবালৈ গৈ থাকোঁতে ৰাজসভাৰ অন্যতম খ্যাতিমান পণ্ডিত ৰামশৰ্মাদেৱে বাটত মহেশক লগ পালে আৰু সুধিলে, "মহেশ, ভালনে তোমাৰ ?"

"কী আৰু কওঁ মহোদয়, পঁচিছ বছৰ বয়সতো ল'ৰাটোৱে কাম-কাজ-এটা নোপোৱাত—মই বৰ চিন্তাত আছোঁ। আগতে আমাৰ মহাৰাজে আপোনাৰ যিকোনো কথাৰ মূল্য দিছিল, যিকোনো চুপাৰিছ মানি লৈছিল; কিন্তু তেতিয়া আমাৰ সুৰেশৰ বয়স ইমানেই কম আছিলযে আপোনাক তাৰ বাবে চাকৰিৰ কথা কোৱাৰ কোনো অৰ্থ নাছিল। এয়া মোৰেই দুৰ্ভাগ্য যে—যেতিয়া তাৰ বয়স হ'ল, আপোনাৰো কিজানি অৱসৰ ল'বৰ হ'ল।" মহেশে পণ্ডিত ৰামশৰ্মাক ক'লে।

ৰামশৰ্মাই মূৰ দুপিয়াই তাৰপৰা নিমাতে গুচি গ'লে, কিন্তু এপষ পাৰ নৌহওঁতেই ৰজাৰপৰা হুকুম আহিল, সুৰেশে অনতিপলমে ৰজাৰ কামত যোগ দিব লাগে।

এই কথাত আচৰিত মানি সঠিককৈ একো টলকিব নোৱৰা সুৰেশে তাৰ দেউতাক মহেশক ক'লে, "মোৰ বিশ্বাস—ৰামশৰ্মাদেৱেই মোক এই চাকৰিটো দিয়ালে।"

ল'ৰাৰ কথাত হাঁহি মাৰি দেউতাক মহেশে ক'লে, "ইয়াৰে নাম হ'ল—বাস্তৱ জ্ঞান। আচলতে—আচল কথা হ'ল এয়ে যে—সিদিনা মই যিখিনি কথা পণ্ডিত ৰামশৰ্মাক কৈছিলোঁ, তাৰ মাজত তেওঁৰ অতীতৰ দিনৰ খ্যাতিৰ কথাটো—তেওঁ ৰজাৰ প্ৰিয়পাত্ৰ হৈ থকাৰ কথাটো কৌশলৰে দাঙি ধৰিছিলোঁ। সেই খ্যাতি যে আজিও তেওঁৰ আছে, সেই কথাৰ দেখ দেখ প্ৰমাণ দিবলৈ তেওঁ তোমাক চাকৰিটো দিয়ালে যে—সেই কথা সঁচা। ইয়াকে বোলে—খিয়াতিৰ এঠা।"



[আগৰ কথা : কলিংগ-যুদ্ধৰ অন্ত পৰিল। বিজয়োৎসৱৰ মাজতে সম্ৰাট অশোকে তেওঁৰ পৰম মিত্ৰ যশক কলিংগৰ শাসকৰূপে ঘোষণা কৰাৰ লগে লগে যশ বিষাক্ত কাঁড়েৰে বিদ্ধ হ'ল। এক উন্মাদিনীহেন কলিংগ যুবতীয়ে এই ভয়ানক কাম কৰিলে। মৃত্যুৰ পূৰ্ব মুহূৰ্তত যশে এই যুৱতীক প্ৰাণদণ্ডেৰে দণ্ডিত নকৰিবলৈ সম্ৰাট অশোকলৈ মৃত্যুকালীন আবেদন জনালে। যশৰ বক্তব্য আছিল এয়ে যে—এই অতি বিষাক্ত কাঁড়েৰে সেই যুৱতীয়ে অতি সহজেই সম্ৰাট অশোককো বধিব পাৰিলেহেঁতেন, কিন্তু যুৱতীয়ে জানি-বুজিয়েই সেই ভয়ানক কৰ্ম কৰাৰপৰা বিৰত হৈছিল। পৰমবন্ধুৰ এই মানৱীয় ক্ষমাগুণ অশোকৰ হৃদয়তো অঙ্কুৰিত হ'ল। আৰু তাৰ পাছত....]

১৫

বৃষ্টিধাৰাই তোষালীৰ তেজৰঙা বাট-পথ পৰিষ্কৃত কৰি দিলে, কিন্তু কলিংগবিজয়ী সম্ৰাট অশোকৰ হৃদয়ৰপৰা লক্ষপ্ৰাণৰ তেজৰ দাগ পৰিষ্কৃত নহ'ল। সম্ৰাট অশোকে কলিংগ-বিজয়ৰ কোনো অৰ্থয়েই বিচাৰি নোপোৱা হ'ল। তেওঁ ভাবি থাকিলঃ জীৱনত এনেবোৰ বিজয়ৰ স্থান ক'ত ? এনেবোৰ বিজয়ে কি দিয়ে ? কি ফললাভ হয় ? লক্ষ লক্ষ নিৰপৰাধ মানুহৰতেজেৰে তৰ্পণিত বিজয়ৰ মূল্য কি ? এই তথাকথিত বিজয়লাভ কৰাৰ মূল্যস্বৰূপে তেওঁতেওঁৰ পৰম মিত্ৰ যশক হেৰুৱাবলগা হ'ল, আৰু কত যে প্ৰাণ অবাবতে মৰহি গ'ল। এনেহেন বিজয়ৰ অৰ্থ কি ?

এইবোৰ-এনেবোৰ ভাবি থাকোঁতে সেনাধিপতি তালৈ আহিল। অশোকে সুধিলে, "সেনাধিপতি, পাটলিপুত্ৰৰপৰা

উজ্জয়িনীলৈ দূত পঠোৱা হৈছিলনে ?"

"উজ্জয়িনীলৈ তৎক্ষণাৎ দূত পঠোৱা হৈছিল। আপোনাৰ মহান বিজয়বাৰ্তা আৰু লগতে যশৰ বিষাদ বাৰ্তা একেলগেই পঠোৱা হৈছে, মহাৰাজ।" সেনাধিপতিয়ে ক'লে।

"আমাৰ এই বিজয়বাৰ্তায়েই হ'ব মহাৰাণী বিদিশাৰ পক্ষে বিষাদবাৰ্তা। তদুপৰি ভাতৃৰ শোক-বাৰ্তা। কী যে পৰিস্থিতি !" শোকমগ্ন অশোকে নিজক কোৱাদি ক'লে।

"যিখন দেশ আছিল শান্তিৰ পাৰাবাৰ, সেই শান্তিৰ পাৰাবাৰত তুমি—হে সম্রাট অশোক—তুমি টৌৱাই তুলিলা তেজৰ ধাৰ। কিমান পিতৃ-মাতৃ-ভাতৃক তুমি অকাৰণে হত্যা কৰিলা—এবাৰলৈকো ভাবিছিলানে ? কেৱল এজন ভাতৃৰ কথাতে যদি তুমি ইমান ব্যথিত, হে সম্রাট, আমাৰ দেশখনৰ লক্ষ লক্ষ প্ৰাণ কিমান যে বেদনাৰ্ত—তাৰ উপলব্ধি তোমাৰ আছেনে ?" সেই যুৱতীয়ে কৈ উঠিল।

আৰু সেনাধিপতি গৰ্জি উঠিল, "হেই পাগলী ! মনে মনে থাক !" সেনাধিপতিয়ে সম্রাটলৈ ঘূৰি চালে আৰু ক'লে, "মহাৰাজ, এই দুষ্টা-পাপিষ্ঠাক কি দণ্ডেৰে দণ্ডিত কৰিব— তাকে জানিবলৈ মই আপোনাৰ কাষ চাপিছোঁ।"

সম্রাট অশোকে তেতিয়া একেথিৰে সেই উন্মাদিনী প্ৰায় বিস্ময়কৰ দেশপ্ৰেমী যুৱতীলৈ চাই আছিল।

"মই যদি নিৰৱ নহওঁ, তুমি, হে মহাৰাজ, তুমি মোক নিৰৱ কৰি দিব পাৰা। যদি মন যায় —তাকে কৰা। কিন্তু সেই কৰ্ম কৰাৰ আগতে মোৰ কথা যদি শুনা—হে সম্রাট—তোমাৰ কিজানি ভালেই হ'ব। মোৰ কথাখিনি—হে সম্রাট—মনপুতি শুনিবা আৰু গভীৰ হৃদয়ৱত্তাৰে বিচাৰ-বিবেচনা কৰি চাবা। —তোমাৰ ৰাজ্যবিস্তাৰৰ আকাংক্ষাৰ নিবৃত্তিৰ অৰ্থে এই যে লাখ-বিলাখ নৰনাৰীক হত্যা কৰিলা, সেই নৰনাৰী সকলৰ এজনেও তোমাৰ সামান্যতম অনিষ্টও কৰিছিলনে ? তেনেহ'লে — কিয় এই অকাৰণ তেজৰ ধাৰ বোৱালা ? কোৱাঁ, সত্য কোৱাঁ—উন্মাদ মইনে তুমি ? কোন উন্মাদ ? এই প্ৰলয়ংকৰ বলিয়ালি তুমিয়েই কৰা নাইনে ? ভাবাঁ, দ'কৈ

ভাবি চোৱাঁ। মাত্র তোমাৰ ৰাজ্যবিস্তাৰৰ লোভৰ বলি হিচাপে কত মাতৃ কত পিতৃ কত ভাতৃ কত ভগ্নীৰ অবাব বলিদান হ'ল। অসংখ্য নৰনাৰীয়ে এই নিষ্ঠুৰ দৃশ্য সহিব নোৱাৰি আত্মহত্যা কৰিলে। হে ৰজা, তুমি জানাই, এয়া মোৰ ব্যক্তিগত কথা মাথোন নহয়, এই কথা সৰ্বজনবিদিত কথা। তুমি অকাৰণে এখন শান্তিৰ দেশত অশান্তিৰ জুই জ্বলোৱা নাইনে? সৰু সৰু ল'ৰা-ছোৱালীহঁতে তোমাৰ প্ৰতি কিনো অন্যায় কৰিছিল? কিয় হাজাৰ-বিজাৰ ফুল-কোমল ল'ৰা-ছোৱালীৰ জীৱন অকালতে অবাবতে মৰহি গ'ল? নাৰী-বৃদ্ধসকলেনো তোমাৰ কি অনিষ্ট সাধিছিল? কিয় তেওঁলোক তোমাৰ লোভৰ বলি হ'বলগা হ'ল? বিশাল কলিংগ দেশত এতিয়া কেৱল হাহাকাৰৰ ৰাজত্ব! এই হাহাকাৰৰ ৰাজত্বৰ সৃষ্টিকৰ্তা তুমিয়েই নহয়নে, হে মহাৰাজ? তোমাৰ নিকৃষ্ট দুৰাকাংক্ষায়েই আমাৰ লক্ষ লক্ষ অমূল্য জীৱনদীপ নুনুমালেনে? ৰজা এগৰাকী যিস্থলত মহৎ হ'ব লাগে—তুমি—হে ৰজা সিস্থলত অসৎ হ'লা কিয়? তুমি নিজেই ভাবি চোৱা যে— ”

“মনে মনে থাক— !”

যুৱতীৰ কথাত বাধা দি সেনাধিপতিয়ে পুনৰ সক্ৰোধে গৰ্জি উঠিল আৰু তেওঁ খাপৰপৰা তৰোৱাল উলিয়ালে।

“নিৰস্ত হওক-সেনাধিপতি! যুৱতীক ক'বলৈ দিয়ক।” সম্ৰাট অশোকে ক'লে।

অপ্ৰতিভ সেনাধিপতি তলমূৰ হ'ল।

তাৰ পাছত সেই যুৱতীয়ে পুনৰ কৈ থাকিল: “হে সম্ৰাট, যিবোৰ ঠাইত তোমাৰ সৈনিকহঁতে আমাৰ নিজগৰ-নিৰ্দোষ নৰনাৰী সকলক—শিশু-বৃদ্ধসকলক বধিলে, য'লৈকে পঠালে, এদিন নহয়—এদিন সিহঁতো তালৈকে যাবই লাগিব। মই পৰলোকৰ কথা নাজানো। তথাপি, ধৰি লোৱা, তাত সকলোটিয়েই তোমালৈ বাট চাই আছে। ভাবাচোন, তোমাৰ কি অৱস্থা হ'ব? তাত যদি সেই নিৰ্দোষী নিহতসকলে তোমাৰ ওপৰলৈ জঁপিয়াই পৰে—তুমি কিবা কৰিব পাৰিবানে? কিনো কৰিবা? তুমি তোমাৰ কোনো অংগৰক্ষকক বা তোমাৰ সেনাধিপতিকো লগত লৈ যাব নোৱাৰিবা।

F.3. ASSAMES·

—ঠিক এনেহেন কামেই তুমি ইহজগতত কৰিলা, হে মহাৰাজ !" এই বুলি কৈয়েই যুৱতীয়ে হোহোৱাই হাঁহি উঠিল।

সেনাধিপতিয়ে পুনৰ কৈ উঠিল, "মহাৰাজ, আদেশ কৰক, এই বলকনি চিৰদিনৰ বাবে বন্ধ কৰি দিওঁ।"

সম্রাট অশোকে মূৰ আৰু জোকাৰিলে সেনাধিপতিক নিৰস্ত কৰিলে, আৰু সেই উন্মাদিনীপ্ৰায় যুৱতীক সুধিলে, "হে যুৱতী, তোমাৰ নাম কি ?"

"কাৰুৱাকী।"

যুৱতীয়ে ক'লে।

"কাৰুৱাকী, মোৰ ঠাইত তুমি হোৱাহেঁতেন—তুমি কি কৰিলাহেঁতেন ?"

সম্রাট অশোকে কাৰুৱাকীক সুধিলে।

"মই নিষ্প্ৰয়োজনীয় কীৰ্তিৰ আকাংক্ষা কদাপি নকৰিলোহেঁতেন, আৰু এনেহেন অমানৱীয় ৰক্তাকাংক্ষা এতিয়াই ত্যাগ কৰিলোহেঁতেন। আৰু চিৰদিনৰ বাবে অস্ত্ৰ ত্যাগ কৰি মানৱধৰ্ম পালিবলৈ নিজক নিয়েজিত কৰিলোহেঁতেন। আৰু—আৰু মই—হে মহাৰাজ—"

যুৱতীয়ে কথা শেষ কৰিবলৈ নৌপাওঁতেই এজন প্ৰহৰী ততাতৈয়াকৈ সোমাই আহিল। সেই প্ৰহৰীয়ে মহাৰাজ অশোকক ক'লে, "মহাৰাজ, উজ্জয়িনীৰপৰা—দূত উভতি আহিল।"

"ইয়ালৈ লৈ আহাঁ।"

অশোকে নিৰ্দেশ দিলে।

অশোকে দূতক ক'লে, "শ্ৰীকৰ, ঠিক সময়তে সঠিক ঠাই পাইছাহি। উজ্জয়িনীত মহাৰাণী আৰু ল'ৰা-ছোৱালী দুটি মংগলমতে আছেনে ?"

"ক্ষমা কৰক, মহাৰাজ। মই যি সম্বাদ কঢ়িয়াই আনিলোঁ—সেই সম্বাদ অতি—" মাত্ৰ ইমানলৈকে কৈয়েই দূত শ্ৰীকৰ তলমূৰ হ'ল।

সম্রাট অশোকে শ্ৰীকৰক ক'লে, "সম্বাদ যেনে ধৰণৰে নহওক—সেই সম্বাদ নিভৰে-নিৰ্ভয়ে কোৱাঁ।"

"মহাৰাণী বিদিশাদেৱী স্বৰ্গী হ'ল।"

প্ৰহৰীয়ে তলমূৰ হৈ থাকিয়েই ক'লে।

"কী !"

সম্রাট যেনিবা দিগভ্রান্ত হৈ পৰিল।

"মহাৰাজ — উজ্জয়িনীৰপৰা পাটলিপুত্ৰলৈ অহা বেপাৰীহঁতৰ মুখে এই কলিংগ যুদ্ধৰ বিবৰণ প্ৰজা-ৰাইজৰ মাজত প্ৰচাৰিত হৈ পৰিছিল, আৰু গৈ গৈ আমাৰ মহাৰাণীৰো কাণ পাইছিলগৈ। তেওঁ এজন বয়সিয়াল বেপাৰীক মতাই অনাই কলিংগ যুদ্ধৰ কথা জানি লৈছিল, আৰু এই কথাত অপাৰ দুঃখ পাই আপোনাৰ হৈ প্ৰায়শ্চিত্ত কৰিবলৈ মন্দিৰলৈ সোমাই তিনিদিন-তিনি নিশা নিৰম্বু উপবাস যাপনৰ অন্তত—চতুৰ্থ দিনা চেতনাহীন অৱস্থাত—নিশ্চল ধ্যানমগ্ন অৱস্থাত জীৱনৰ অপাৰ শান্তিৰ নিজৰা—মৃত্যুক আঁকোৱালি লৈছিল।"

অকস্মাৎ সেই যুৱতীয়ে অট্টহাস্য কৰাত সেনাধিপতিয়ে গৰজি উঠিল, "এয়েনে হঁহাৰ সময় ? তোমাৰ মাজত লাজ-লজ্জা বোলা একো নাইনে ?"

"সেনাধিপতি, মোৰ জীৱনত হাঁহি আৰু কান্দোনৰ মাজত কোনো প্ৰভেদ-পাৰ্থক্য নাই। সেইবোৰ কেতিয়াবাই শেষ হৈ গ'ল।" এই কথা কৈ, যুৱতীয়ে পুনৰ সে সেঁকে হো হোকৈ হাঁহিবলৈ ধৰিলে।

সেনাধিপতিয়ে কৈ উঠিল, "এই পাপিষ্ঠাক ইয়ৰপৰা চুঁচৰি লৈ যাম, তাইৰ পিঠিৰ ছাল—জীয়ন্তে বখালিম—আৰু—আৰু নিৰ্মমতাৰে বধিম।"

"নহয়, সেনাধিপতি, যুৱতীৰ হাতত থকা কেৰেয়া খুলি দিয়ক আৰু তেওঁক সসন্মানে মুক্তি দিয়ক।" সম্ৰাট অশোকে আদেশ দিলে।

"যশৰ হত্যাকৰিণীক — সসন্মানে মুক্তি—?"

সেনাধিপতিয়ে তেওঁৰ অধিকাৰৰ সীমা বিস্মৃত হৈ সম্ৰাটক সুধিলে।

"ওঁ, কিয়নো—যশেই তাৰ এই হত্যাকাৰিণীক ক্ষমা কৰি গৈছে। আৰু—যশৰ অন্তিম ইচ্ছাৰ প্ৰতি সন্মান জ্ঞাপনো আমাৰ কৰ্তব্য।" সম্ৰাট অশোকে গহীন মাতেৰে ক'লে।

সেনাধিপতিয়ে যশৰ হত্যাকাৰিণী যুৱতীৰ হাত-কেৰেয়া খুলি দিয়াৰ লগে লগে কাকুৱাকীয়ে ক'লে, "হে ৰাজন্, যশৰ অন্তিম

ইচ্ছায়ো এই সত্যক প্ৰকাশ কৰিছে যে—তেওঁ আছিল এগৰাকী মহোন্নত ব্যক্তি। তেওঁ—আমাৰ পৰিয়ালৰ সকলোকে হত্যা কৰোৱাইছিল। প্ৰতিশোধ-স্পৃহাইহে মোৰ—তোমাক বা যশক হত্যাৰ উদ্দেশ্য। কিন্তু কাঁড় এৰিবৰ আগ মুহূৰ্ততে মোৰ এই বিচাৰবুদ্ধি হ'ল যে—তোমালৈ কাঁড় নোটোৱাওঁ। হয়তো মোৰ এই আকস্মিক বিচাৰবুদ্ধি—প্ৰকৃততে—বিধি-নিৰ্দিষ্ট হঠাৎ মোৰ মনত এই ধাৰণাই মূৰদাঙি উঠিছিল যে—তোমাৰ দ্বাৰা এই জগতৰ বিৰাট মংগলো হ'ব পাৰে।"

"কলিংগদেশৰ প্ৰজাবৰ্গই মোক অতি ক্ৰূৰ ৰজা বুলি জানে। মোক তেওঁলোকে নিশ্চয়েই ঘৃণা কৰে। তেনেস্থলত—মই জগতৰ কি মংগল সাধিম ?" সম্ৰাট অশোকে ক্ষীণ কণ্ঠেৰে সুধিলে।

"হে ৰজা, সকলো মানুহতে বেয়াৰ সৈতে ভালো নথকা নহয়। —যশ নিকৰুণ-নিদাৰুণ হত্যাৰ কাৰক নাছিলনে ? তথাপি তেওঁৰ অন্তিম ইচ্ছাই তেওঁৰ মাজত থকা উত্তম মানৱতাক প্ৰকাশ কৰা নাছিলনে ? এতেকে—আজি যি সম্ৰাট অশোক দুৰন্ত অত্যাচাৰীৰ ৰূপত প্ৰকাশিত, সেই সম্ৰাট অশোকেই নিষ্কলংক ধৰ্মমূৰ্তিৰূপেও জগত-বিদিত হ'ব পাৰে। —আপুনি এই কথাখিনি শান্ত-সমাহিত অন্তৰেৰে চিন্তা কৰি চাব।" এই বুলি কৈ, কাৰুৱাকীয়ে সম্ৰাট অশোকলৈ নিৰৱ নমস্কাৰ জ্ঞাপন কৰি তোষালীৰ সেই ৰাজভৱন

এৰি নিশৰদে ওলাই ধীৰ-মন্থৰ খোজেৰে পিছফাললৈ এবাৰলৈকো ঘূৰি নোচোৱাকৈ গুচি গ'ল। কলিংগ-যুদ্ধত বন্দী হোৱাযোদ্ধাসকলক মুক্তি প্ৰদান কৰা হ'ল।

মহাৰাজ অশোকে সেনাধিপতিক তোষালীত অৱস্থান কৰাৰ আদেশ প্ৰদান কৰি স্বয়ং উজ্জয়িনীলৈ যাত্ৰা কৰিলে।

উজ্জয়িনী পাই—অশোকে তেওঁৰ পুত্ৰ-কন্যা—মহেন্দ্ৰ আৰু সংঘমিত্ৰাক লগত লৈ বিদিশাৰ চিতাস্থললৈ গ'ল আৰু তাত অশ্ৰু বিসৰ্জিলে।

অশোকে মহেন্দ্ৰ আৰু সংঘমিত্ৰাক ক'লে, "তোমালোকৰ মাতৃয়ে মোৰ ওপৰত যি বিশ্বাস স্থাপন কৰিছিল, সেই পৰম

বিশ্বাসৰ মৰ্য্যাদা মই ৰাখিব পৰা নাই।"

"আপুনি সঠিক প্ৰায়শ্চিত্ত কৰিব পাৰে। প্ৰতি দুষ্কৰ্মৰে এক নিষ্কৃতি আছে ই এক অৱধাৰিত সত্য। তথাগত বুদ্ধৰ কৃপা আপুনি নিশ্চয় প্ৰাপ্ত হ'ব।"

মহেন্দ্ৰই এই খিনি কথা কোৱাৰ মুহূৰ্তত্তে গুৰুদেৱ উপগুপ্ত তালৈ আহিল।

আৰু সেই ক্ষণৰেপৰাই সম্ৰাট অশোকৰ জীৱনত এক নতুন অধ্যায় সূচিত হ'ল, নতুন সূৰ্য্য উদিত হ'ল।

গুৰুদেৱ উপগুপ্তৰ জ্ঞানবোধে সম্ৰাট অশোকক বিপুলভাৱে আকৰ্ষণ কৰিলে। সম্ৰাট অশোকে বৌদ্ধধৰ্ম গ্ৰহণ কৰিলে।

সম্ৰাট অশোকে অহিংসাক পৰম ধৰ্ম বুলি মানি ল'লে। তেওঁ-তেওঁৰ ৰাজ্যত সৰ্বপ্ৰকাৰৰ হিংসা আচৰণ নিষিদ্ধ কৰিলে আৰু তোষালীৰ দুৰ্গদ্বাৰত এই কথাখিনি এক সুবৃহৎ শিলালিপিত উৎকীৰ্ণ কৰিলে ঃ

"কেৱল পশু শক্তিৰে, কেৱল তৰৱাৰিৰ শক্তিৰে সৰ্বপ্ৰকাৰৰ বিজয় সম্ভৱ নহয়। একমাত্ৰ উত্তম কাৰ্য্যৰদ্বাৰাহে সাৰ্বিক বিজয়লাভ সম্ভৱ। উত্তম কাৰ্য্যধাৰাৰে মানৱ-মংগল কৰিব পাৰিলেহে প্ৰকৃত শাশ্বত বিজয়লাভ সম্ভৱে...।"

এনেবোৰ শিলালিপি তেওঁ সমগ্ৰ দেশত প্ৰোথিত কৰিলে আৰু আনকি দূৰ-সুদূৰ ছিৰিয়া, মিছৰতো সুমহান বৌদ্ধধৰ্মৰ নিগূঢ় বাণী, জীৱনজয়ী মৰণবিজয়ী মহাবাণী, বৌদ্ধধৰ্মৰ অহিংসাবাণী প্ৰচাৰ কৰিলে।

তেওঁ তেওঁৰ পুত্ৰ মহেন্দ্ৰক আৰু কন্যা সংঘমিত্ৰাকো তাহানিৰ লঙ্কাদ্বীপলৈ অৰ্থাৎ আজিৰ শ্ৰীলঙ্কালৈ বৌদ্ধধৰ্মৰ প্ৰচাৰাৰ্থে প্ৰেৰণ কৰিছিল আৰু তাৰ ফলত সমগ্ৰ শ্ৰীলঙ্কাই বৌদ্ধধৰ্ম গ্ৰহণ কৰিছিল।

মানৱৰ ইতিহাসত—জগতৰ সমগ্ৰ জনগণক অহিংসা ধৰ্ম গ্ৰহণ কৰিবলৈ যিগৰাকী ৰজাই সফলতাৰে উৎসাহিত কৰিব পাৰিছিল—সমগ্ৰ জগতত 'অহিংসা পৰমো ধৰ্মঃ' বুলি মহতোমহান পৰম বিশ্বাস জগতৰ জনমনত প্ৰোথিত কৰিব পাৰিছিল—তেওঁ আছিল—এই জগতৰ—এই ভাৰতৰ—মহান সম্ৰাট অশোক। [অন্ত

সাজ চাই চাপৰি

বিক্রমাদিত্য ৰজা তথাপি আশাশূন্য নহ'ল। গছৰ ডালৰপৰা শৰদেহটো নমাই আনি, কান্ধত পেলাই লৈ, আউসীঁৰ এন্ধাৰ ভেদি আৰব্ধ কাৰ্য্য সমাপিবৰৰ বাবে পুনৰ মৰিশালিলৈ বুলি গৈ থাকিল। তেতিয়া শৰদেহৰ মাজত থকা বেতালে কৈ উঠিল, "হে ৰজা, যিকোনো কাৰ্য্য পূৰ্ণ কৰাৰ বাবে আৱশ্যক হ'ল সম্পূৰ্ণ জ্ঞান। আৰু—জ্ঞানৰ সম্পূৰ্ণতাৰ বাবে আৱশ্যক হ'ল—গুৰুৰ অৱদান। জগতৰ কোনো মানৱেই স্বয়ম্ভু নহয়। মানৱৰ জীৱনত যেই কোনো প্ৰকাৰেৰেই নহওক, গুৰু বিনে গতি নাই। কিন্তু পাছত প্ৰায়ভাগ শিষ্যয়েই সাজ চাই চাপৰি বায়, গুৰুৰ মহান অৱদানৰ কথা পাহৰি যায়—আৰু গুৰুৰ প্ৰতি কৃতঘ্নৰ দৰে—অশলাগীৰ দৰে আচৰণ কৰে। যদিও তুমি নিশ্চয় তেনেকুৱা নহয়; তথাপি, কুন্দন নামৰ এক অশলাগী শিষ্যৰ কথা শুনা।" এই বুলি কৈ, বেতালে পুনৰ ক'বলৈ ধৰিলে ঃ

বেতাল-কথা



কুন্দন আছিল এজন দুখীয়া হালোৱাৰ ল'ৰা। মাকদেউতাকৰ প্ৰচুৰ চেষ্টা সত্বেও কুন্দনে পঢ়া-লিখা প্ৰায় একোৱেই নিশিকা হৈ থাকিল, কিয়নো লিখাপঢ়াৰ প্ৰতি তাৰ কোনো ধাউতিয়েই নাছিল।

কিন্তু কুন্দন অন্যফালে আছিল যথেষ্ট চোকা। লিখাপঢ়া জনা লোকসকলৰ ভাব-ভঙ্গী, কথন-মথন আদি মাত্ৰ কাণেৰে শুনি কুন্দনে শিক্ষিতজনৰ কথাবাৰ্তা আয়ত্ত কৰিব পাৰিছিল।

এদিন কুন্দনে তাৰ কিছুমান লগৰীয়াৰ সৈতে বল খেলি থাকোঁতে—বোকা লগা বলটো সেই বাটেদি গৈ থকা পণ্ডিত ৰামশাস্ত্ৰীৰ গাত লাগিল আৰু তেওঁৰ চোলা-চুৰিয়া বোকালগা হ'ল। লগে লগে সকলো ল'ৰায়েই দৌৰি পলাল, কিন্তু কুন্দন আলৰ-অচৰভাবে তাতেই থিয় হৈ থাকিল।

ৰামশাস্ত্ৰীয়ে কুন্দনৰ হাত এখনত থাপ মাৰি ধৰিলে আৰু ক'লে, "তোমাৰ মনত ভয়-ডৰ বোলা একো নাইনে ?"

কুন্দনে নিৰ্ভীকভাবে ক'লে, "ভয় যদি কৰিবই লাগে—ভয় কৰিম সূৰ্য্যদেৱক। প্ৰশান্ত চন্দ্ৰলৈনো কিয় ভয় কৰিম ?"

ৰামশাস্ত্ৰীয়ে কুন্দনৰ হাত এৰি দিলে আৰু ক'লে, "মই সূৰ্য্য। মোক চন্দ্ৰ বুলি ভাবিলা কেলেই ?"

"মহোদয়, সূৰ্য্যদেৱলৈ তীব্ৰ দৃষ্টিৰে চাই থাকিব নোৱাৰি। কিন্তু আপোনাৰ প্ৰতি মই অতি সহজেই চাই থাকিব পাৰিছিলোঁ।" কুন্দনে ৰামশাস্ত্ৰীক ক'লে।

পণ্ডিত ৰামশাস্ত্ৰীয়ে এই কথা উপলব্ধি কৰিলে যে এই ল'ৰাটি সাধাৰণ ল'ৰা নহয়। তেওঁ কুন্দনৰ সৈতে ভালেমানপৰলৈকে কথা পাতিলে, আৰু তাৰ পাছত তেওঁ কুন্দনক তেওঁৰ শিষ্য কৰি ল'লে।

এদিন কুন্দনে সিহঁতৰ খেতি-পথাৰত কাম কৰি থাকোঁতে—আলিবাটত দুজন মানুহে কাজিয়া কৰি থকা দেখা পালে আৰু কুন্দন তালৈ গ'ল।

কাজিয়া কৰি থকা দুজনৰ মাজত এজনৰ হাতত এখন ডেগাৰ আছিল। আনজন আছিল গাঁৱৰ সৱাতোকৈ আঢ্যৱন্ত ধনগুপ্ত।

হঠাৎ—বিজুলী গতিৰে আগুৱাই গৈ

—কুন্দনে সিজন মানুহৰ হাতত থকা ডেগাৰখন কাঢ়ি ল'লে, আৰু লগে লগে আঢ্যৱন্ত ধনগুপ্তই সেই মানুহটোক কটকটীয়াকৈ বান্ধি পেলালে।

ধনগুপ্তই কুন্দনক ক'লে, "তুমি আজি মোৰ প্ৰাণ ৰক্ষা কৰিলা। তোমাক কি লাগে কোৱা।"

"কেতিয়াবা যদি লাগে—ক'ম আপোনাক। পিছে—এটা অনুৰোধ, দিনে-পোহৰে গাঁৱত যাতে লুটিয়াৰহঁতে লুট কৰিব নোৱাৰে, তাৰ বাবে গাঁৱত স্থায়ীভাবে এটা ৰক্ষীদল গঠন কৰক। এই কামটো—নিশ্চয় আপোনাৰ পক্ষে অসাধ্য নহয়।" এই বুলি কৈ, তাত আৰু নৰৈ কুন্দন তৎক্ষণাৎ তাৰপৰা গুচি গ'ল।



সিদিনাই গধূলিপৰতে গাঁৱৰ গাঁওবুঢ়াই কুন্দনক মাতি লৈ গ'লহি।

গাঁওবুঢ়াই কুন্দনলৈ ভুৰি ভুৰি প্ৰশংসা আগবঢ়ালে আৰু কুন্দনক ক'লে, "আজি তুমি যিটো মানুহৰ হাতৰপৰা ডেগাৰ কাঢ়ি ল'লা সেই মানুহটো আছিল ভয়ানক গুন্ডা। তাৰ নাম হ'ল গঙ্গিয়া। তুমি যে পণ্ডিত ৰামশাস্ত্ৰীৰপৰা শাস্ত্ৰশিক্ষা কৰিছা, আমি জানো। কিন্তু—তোমাৰ এই সাহসৰ তথা শস্ত্ৰশিক্ষাৰ গুৰু কোন—তাকেহে আমি নাজানো।"

কুন্দনে ক'লে, "মই গুৰু ৰামশাস্ত্ৰীৰ শিষ্য, তেওঁ মোক শাস্ত্ৰশিক্ষা দিয়ে। কিন্তু শস্ত্ৰ-শাস্ত্ৰৰ বিষয়ে—অৰ্থাৎ অস্ত্ৰ শস্ত্ৰৰ বিষয়ে মই সঁচা ক'বলৈ হ'লে একোৱেই নাজানো।"

"কিন্তু গঙ্গিয়াগুন্ডাই নিজেই দেখোন তোমাৰ অপাৰ সাহসৰ আৰু অস্ত্ৰ কাঢ়ি লোৱা কৌশলৰো প্ৰশংসা কৰিছিল।" গাঁওবুঢ়াই কুন্দনক ক'লে।

যি কি নহওক—গাঁওবুঢ়াই কুন্দনক গাঁও সংৰক্ষকৰ দায়িত্ব ল'বলৈ কোৱাত কুন্দনে গাঁওবুঢ়াক নমস্কাৰ কৰিলে আৰু ক'লে, "মই গঙ্গিয়াক নিৰস্ত্ৰ কৰিছিলোঁ, কিন্তু তাৰ লগত শস্ত্ৰবিদ্যাৰ কোনো সা-সম্পৰ্ক নাই। মোৰ কথা পূৰ্ণৰূপে বিশ্বাস কৰক, মই অস্ত্ৰ-শস্ত্ৰৰ বিষয়ে একোৱেই নাজানো। গতিকে—গাঁও সংৰক্ষকৰ বিৰাট দায়িত্ব কঢ়িয়াবলৈ মই একোবাৰেই অপাৰগ।"

গাঁওবুঢ়াই মিচিকীয়াই হাঁহি মাৰি ক'লে, "মই শস্ত্ৰ-বিদ্যাত নিপুণ। আৰু—গাঁওবুঢ়া হিচাপে মোৰ কিঞ্চিত দায়িত্বও নথকা নহয়। তুমি প্ৰতিদিন মোৰপৰা অস্ত্ৰবিদ্যা শিক্ষা কৰিবা, আৰু গাঁও সংৰক্ষকৰ কামো কৰি থাকিবা এয়ে হ'ল মোৰ—আৰু গাঁৱৰ ৰাইজৰো ইচ্ছা।"

আৰু—সিদিনাৰেপৰাই কুন্দন গাঁওবুঢ়াৰ শিষ্য হ'ল।

অস্ত্ৰবিদ্যাৰ পাঠ গ্ৰহণ কৰি কুন্দনে ভালেই পালে আৰু সি গাঁও সংৰক্ষৰ কামো একাণপতীয়াভাবে আৰু অত্যন্ত দায়িত্বপূৰ্ণতাৰে পালন কৰিবলৈ ধৰিলে।

আৰু এইদৰে জীৱনত বিভিন্ন শিক্ষা গ্ৰহণ কৰি কৰি কুন্দন এদিন বিছ বছৰীয়া চফল ডেকাটি হৈ উঠিল, আৰু তেতিয়া সি এদিন শাস্ত্ৰবিদ্যাত, আৰু লগতে শস্ত্ৰবিদ্যাতো পৈণত হৈ উঠাত কুন্দনে তাৰ উভয় গুৰুলৈ যথোচিত দক্ষিণা আগ বঢ়াব বুলি সততাৰেই ভাবি থাকিল।

"তুমি যদি সঁচাকৈয়েই গুৰুদক্ষিণা দিবা বুলি ভাবিছা, কেতিয়াবা তুমি আঢ্যৱন্ত হ'লে যি দিলাহেঁতেন, এতিয়া সেইখিনিকে দিয়া। পাছত আমাক আৰু নিদিলেও হ'ব।" ৰামশাস্ত্ৰীয়ে আৰু লগতে গাঁও বুঢ়ায়ো কুন্দনক একেই কথা ক'লে।

কেইদিনমানৰ পাছত কুন্দনৰ বন্ধু এজন ৰাজধানীৰপৰা কুন্দনৰ ওচৰলৈ আহিল। বন্ধুজনে কুন্দনক ক'লে, "ঠিক এমাহৰ পাছত ৰাজধানীত এক বিচিত্ৰ ৰাজকীয় প্ৰতিযোগিতা পতা হ'ব। এই প্ৰতিযোগিতা হ'ব—শাস্ত্ৰ আৰু শস্ত্ৰবিদ্যাৰ প্ৰতিযোগিতা। উভয় বিভাগৰ প্ৰতিযোগীলৈ বেলেগ বেলেগ পুৰস্কাৰ উপহাৰ আগবঢ়োৱা হ'ব। আৰু—শাস্ত্ৰ আৰু শস্ত্ৰবিদ্যাত প্ৰথম হোৱা দুজনৰ মাজত পুনৰ এক আছুতীয়া প্ৰতিযোগিতা পতা হ'ব আৰু সেই প্ৰতিযোগিতাত প্ৰথম হোৱাজনক হেনো অভাৱিত ধৰণে পুৰস্কৃত কৰা হ'ব। —এতিয়া মোৰ কথা হ'ল—তুমি উভয়বিধ বিদ্যাতে— শাস্ত্ৰ আৰু শস্ত্ৰতো পাৰঙ্গম। এতেকে—এই প্ৰতিযোগিতাত ভাগ লোৱাটো—আমাৰ মতে—তোমাৰ একান্ত উচিত। যদিও—এই প্ৰতিযোগিতালৈ

নাম লগাবলৈ বুজন পৰিমাণৰ প্ৰবেশমূল্য আছে। প্ৰৱেশ মূল্য —দহহেজাৰ মুদ্ৰা।

প্ৰবেশ-মূল্যৰ কথা শুনি কুন্দন নিৰাশ হ'ল। ক'ত পাব সি ইমান ধন ? দহ হেজাৰ মুদ্ৰা ?"

এই প্ৰতিযোগিতাৰ কথা ধনগুপ্তয়ো শুনিছিল।

ধনগুপ্তই কুন্দনক ক'লেহি, "দহ হেজাৰ মুদ্ৰা—মই দিম তোমাক। তুমি ৰাজধানীলৈ যোৱা আৰু প্ৰতিযোগিতাত ভাগ লোৱাগৈ। তুমি যদি বিজয়ী হোৱা, মই যি খুজিম তাকে দিবা। বছ, এয়ে মোৰ চৰ্ত।"

"কিন্তু—আপোনাক যি লাগিব—সেই লগাখিনি মোৰ যদি সাধ্যৰ বাহিৰ নহয়, মই অৱশ্যেই দিম।" কুন্দনে ক'লে।



কুন্দনৰ কথাত ধনগুপ্ত সন্মত হ'ল আৰু তাৰ পাছত কুন্দন আনন্দ মনেৰে ৰাজধানীলৈ গৈ সেই ৰাজকীয় প্ৰতিযোগিতালৈ নাম লগোৱা হ'ল।

আশা কৰা মতেই—কুন্দন শাস্ত্ৰবিদ্যাত বিজয়ী হ'ল আৰু লগে লগে এক লক্ষ মুদ্ৰা পুৰস্কাৰ পোৱা হ'ল।

আৰু—কথা যদিও আচৰিতেই—তথাপি—আনকি শস্ত্ৰবিদ্যাতো কুন্দনেই প্ৰথম হৈ বিজয়ী হ'ল, আৰু পুনৰ এক লক্ষ মুদ্ৰা পোৱা হ'ল।

এইদৰে—শাস্ত্ৰ আৰু শস্ত্ৰবিদ্যাতো একেইজন প্ৰতিযোগী বিজয়ী হোৱাত আন আছুতীয়াকৈ কোনোবিধৰ প্ৰতিযোগিতাৰ কোনো আৱশ্যকতা নাথাকিল। ৰজাই কুন্দনকে একমাত্ৰ বিজয়ী ৰূপে ঘোষণা কৰিলে।

তেতিয়া দেশৰ ৰজাই ক'লে, "আমাৰ এই প্ৰতিযোগিতা যে সফলতৰে সমাপ্ত হৈছে, তাৰ বাবে মই আনন্দিত। যদিও আগতীয়াকৈ ঘোষণা কৰা নাছিলোঁ, তথাপি, এই প্ৰতিযোগিতাৰ আঁৰত এক মহৎ উদ্দেশ্য আছিল এয়ে যে—এই প্ৰতিযোগিতাত পূৰ্ণ বিজয়ীৰ সৈতে আমাৰ পুত্ৰী সুনন্দাক যোৱা পাতি দিয়া হ'ব। তাহানিৰ ৰাজকীয় প্ৰথা স্বয়ম্বৰ—মই বৰ ভাল নাপাওঁ। অন্য দেশৰ অচিনাকি ৰাজকোঁৱৰতকৈ দেশৰ যোগ্যৱান কোনোবা জোঁৱাই—কিনো বেয়া ? —এই

উদ্দেশ্য মনত লৈয়েই মই এই প্ৰতিযোগিতাৰ আয়োজন কৰিছিলোঁ আৰু তাৰ কাৰণেই মই এই প্ৰতিযোগিতাত যোগ দিবলৈ বুজন পৰিমাণৰ প্ৰবেশ-মূল্যও ধাৰ্য্য কৰিছিলোঁ। মোৰ পূৰ্ণ বিশ্বাস, এই প্ৰতিযোগিতাৰ সৰ্বশ্ৰেষ্ঠ বিজয়ী কুন্দনৰ হাতত আমাৰ পুত্ৰীৰ হাত মিলাই দিলে আমাৰ প্ৰজা ৰাইজেও ভালেই পাব।"

মহাৰাজৰ এই আনন্দপূৰ্ণ ঘোষণাৰ লগে লগেই তাত সমৱেত প্ৰজাই বিপুল হাত-চাপৰিৰে মহাৰজাৰ ঘোষণালৈ তেওঁলোকৰ সহৰ্ষ সমৰ্থন জনালে।

★

ৰাজকুঁৱৰী সুনন্দা আৰু কুন্দনৰ মাজত বিবাহৰ কথা যেতিয়া খাটাং কৰা হ'ল, তেতিয়া, নিমন্ত্ৰণ পাই কুন্দনৰ মাক-দেউতাক আৰু গাঁৱৰ আঢ্যৱন্ত ধনগুপ্তও ৰাজধানীলৈ আহিল।

কুন্দনে তাৰ গুৰু ৰামশাস্ত্ৰী আৰু গাঁওবুঢ়াক এক লক্ষকৈ মুদ্ৰা গুৰুদক্ষিণা হিচাপে আগ বঢ়ালে আৰু বিনীত নম্ৰতাৰে তেওঁলোকক ক'লে, "আপোনালোকৰ কৃপা আৰু আশীৰ্বাদেৰে আজি মই গৌৰৱৰ পাত্ৰ হ'লোঁ।"

কিন্তু ৰামশাস্ত্ৰীয়ে লক্ষমুদ্ৰা নল'লে আৰু ক'লে, "কুন্দন, আগলৈ তুমি নিশ্চয় ৰজা হ'বা। তেতিয়া যদি তুমি মোক ৰাজসভাৰ প্ৰধান পণ্ডিতৰ বাব দিয়া—তেনেহ'লে সেই বাবেই যাব গুৰুদক্ষিণা হৈ।"

কেই মুহূৰ্তমানলৈ ভাবি লৈ কুন্দনে গুৰু ৰামশাস্ত্ৰীক ক'লে, "ৰাজসভাৰ পণ্ডিত হিচাপে নিযুক্তিৰ বাবে কিছু নিয়ম-নীতি আছে। আপোনাৰ ক্ষেত্ৰত যদি সেইবোৰ নিয়ম-নীতি প্ৰয়োগেৰে কাম হয়—ভাল কথা। কিন্তু গুৰুদক্ষিণাৰ সৈতে এই প্ৰস্তাৱ যুক্ত নকৰাই ভাল যেন পাওঁ। এতেকে—গুৰুদক্ষিণা হিচাপে এই লক্ষমুদ্ৰা অনুগ্ৰহ কৰি গ্ৰহণ কৰক।"

গুৰু ৰামশাস্ত্ৰীয়ে ক্ৰুদ্ধমাতেৰে ক'লে, "মূৰ্খ, তুমি মোৰো পৰীক্ষা ল'বা বুলি ভাবিছানে ? তুমি এক অশলাগী—কৃতঘ্ন শিষ্য।" এই বুলি কৈয়েই শাস্ত্ৰগুৰু ৰামশাস্ত্ৰী তাৰপৰা দুপদুপাই গুচি গ'ল।

কুন্দনৰ অন্যতম গুৰু গাঁওবুঢ়াই কুন্দনৰপৰা সেনাপতিৰ পদ পোৱাৰ ইচ্ছা প্ৰকাশ কৰিছিল। কিন্তু কুন্দনে তাৰ শস্ত্ৰগুৰু গাঁওবুঢ়াকো একেইখিনি কথা কোৱাত গাঁওবুঢ়ায়ো কুন্দনক কৃতঘ্ন—অৰ্থাৎ অশলাগী বুলি কৈ দুপদুপাই গুচি গ'ল।

কুন্দন-কাহিনী ইমানলৈকে কোৱাৰ অন্তত বেতালে পুনৰ ৰজা বিক্ৰমাদিত্যক ক'লে, "হে ৰাজন্! হঠাৎ ভাগ্য ফুলাত কুন্দন যে অহংকাৰী হৈ উঠিল আৰু সি তাৰ গুৰুদ্বয়ক অপমান কৰিলে—এই কথাত তুমিও নিশ্চয় একমত হ'বা। কুন্দন যে কৃতঘ্ন—অশলাগী সেই কথাতো তুমি নিশ্চয় একমত। এক সাধৰণৰো সাধাৰণ গাঁও-সংৰক্ষক—ৰাজকীয় প্ৰতিযোগিতাত বিজয়ী হোৱাতহে কুন্দনৰ এই প্ৰমাদ ঘটিলনে? মোৰ এই প্ৰশ্নৰ উত্তৰ জানিও যদি সঠিককৈ নিদিয়া, তোমাৰ মূৰ ফাটি চাৰিফাল হ'ব, এই কথা ধুৰুপ।"

বেতালৰ প্ৰশ্নৰ উত্তৰত ৰজা বিক্ৰমাদিত্যই ক'লে, "কথা হ'ল—গুৰু ৰামশাস্ত্ৰী আৰু গাঁওবুঢ়াক কুন্দনে অপমান কৰাৰ প্ৰশ্ন নুঠে। কিয়নো—প্ৰথম কথা—কুন্দন তেতিয়ালৈকো ৰজা হোৱা নাছিল। আৰু—ৰজা হ'লেই ৰজাই তেওঁৰ ইচ্ছামতে কাৰ্য্য কৰিব নোৱাৰে, ৰজা এগৰাকীয়েও কিছুমান নিয়ম বিধি-নীতিৰ সহায়তহে কাৰ্য্য সম্পাদন কৰিব লাগে। ৰজাও নিয়মনীতিৰ অধীন। গতিকে—গুৰুদ্বয়ক তেনেকুৱা উত্তৰ দিয়াত কুন্দনে তেওঁলোকক ইচ্ছাকৃতভাবে অপমান কৰিছিল বুলি একোপধ্যেই এই কথা ক'ব নোৱাৰি। দ্বিতীয়তে—কুন্দন আছিল এক আত্মবিশ্বাসী শিক্ষাৰ্থী। আত্মবিশ্বাস নথকা কাৰোবাক জগতৰ কোনো গুৰুৱেই এগৰাকী গৌৰৱৰ পাত্ৰৰূপে গঢ়ি তুলিব নোৱাৰে। এক কথাত ক'ব পাৰি যিকোনো ফালৰপৰা বিচাৰ কৰি চালেও শিষ্য হিচাপে কুন্দনক অশলাগী বুলি ক'ব নোৱাৰি।"

ৰজা বিক্ৰমাদিত্যই এই বুলি কোৱাৰ লগে লগেই বেতালে সেই শৱদেহটো লৈ সাউৎকৰে তাৰপৰা গুচি গ'ল আৰু পুনৰ সেই শৱদেহটো সেই বিৰাট বিৰিখজোপৰ ডালত পুনৰ ওলোমাই থোৱা হ'ল। [কল্পিত

বিশ্বাস

মহেন মহাজনৰ ওচৰত কাম কৰা ল'ৰা চানাই ভাবিছিল যে কামৰ জোখাৰে দৰমহা মহেন মহাজনে নিদিয়ে আৰু নিদিবও। সেইদেখি এদিন সি কাম বিচাৰি ভূষণমহাজনৰ কাষ চাপিল।

ভূষণমহাজনে চানাক কামত ল'লে আৰু সেই দিনাই তাৰ হাতত কিছুখিনি টকা দি ক'লে "এই এহেজাৰ টকা মহেন মহাজনক দি আহাঁগৈ।"

চানাই টকাখিনি লৈ মহেন মহাজনৰ ওচৰলৈ গ'ল, আৰু তৎক্ষণাৎ ঘূৰিল। ভূষণে চানাক সুধিলে, "তুমি—পূৰাপূৰিকৈ এহেজাৰ টকা দিলানে মহেনক ?"

চানাই মূৰ দুপিউৱাত ভূষণে ভুৰু কোঁচালে আৰু ক'লে, "কিন্তু সেই টকাৰ বাণ্ডিলটোত দহটকীয়া এখন যে বেছি আছিল—তাৰ কি হ'ল ? মই তোমাক কামত নলওঁ।"

"ডাঙৰীয়া, টকাৰ বাণ্ডিলটোত এহেজাৰ টকা আছে বুলি আপুনি কোৱা টকাখিনি মই গন্তি কৰাহেঁতেন —মই আপোনাৰ কথা বিশ্বাস কৰা নাই বুলি ভাবি আপুনি নিশ্চয় মোক বেয়া পালেহেঁতেন। সেইহে মই টকাখিনি লৈ চুপচাপ গুচি গৈছিলোঁ। কিন্তু মহেন মহাজনক টকাখিনি দিওঁতে মই গন্তি কৰি দিছিলোঁ। দহ টকা বেছি আছিল। এতিয়া কথা হ'ল—বিশ্বাস আপোনাৰ কাৰণে যিমান মূল্যৱান, মোৰ কাৰণেও সিমানেই। আপুনি কিন্তু মোক প্ৰথমৰেপৰাই অকাৰণ অবিশ্বাস কৰিছিল। এতেকে—এনেহেন অবিশ্বাসী মনৰ মানুহৰ ওচৰত কাম কৰাতো মই আগ্ৰহী নহওঁ।" ক্ষন্তেকমান ৰৈ চানাই পুনৰ ভূষণক ক'লে, "আৰু এই যে ওপৰঞ্চি দহ টকা—এয়া মোৰ অহা-যোৱাৰ দাম।" এই বুলি কৈয়েই চানা তাৰপৰা গুচি গ'ল।

নৈ পাৰে নৈ পাৰে-কাবেৰীৰ তীৰে তীৰে

এই বুলি কুতূহলে দিলেক জোলোক
জলতৰংগ উঠিলোক খলকি' জলক ॥

ৰচন ঃ জয়ন্তী মহালিঙ্গম ✱ চিত্ৰণ ঃ গোপকুমাৰ

ৰামনাথপুৰ মন্দিৰ

কোড়াগুৰ পৰা ৩০ কিল'মিটাৰ আঁতৰত, কাবেৰী নৈৰ বাঁও পাৰত, ৰামনাথপুৰত আছে এক বিৰাট মন্দিৰ। এই মন্দিৰ হ'ল শিৱ-মন্দিৰ। জনশ্ৰুতি আছে যে—এই স্থানত ৰামচন্দ্ৰই ৰাৱণবধজনিত ব্ৰহ্মহত্যাৰ পাপৰপৰা মুক্ত হ'বলৈ *শিৱলিঙ্গ* পূজিছিল। জন-বিশ্বাস এয়ে যে—এই শিৱমন্দিৰৰ দ্বাৰ স্বয়ং আদি শঙ্কৰাচাৰ্য্যই উদ্ঘাটন কৰিছিল।

কাট্টেপুৰা নামৰ গাঁৱত এক সুপ্ৰাচীন মথাউৰিৰ ভগ্নাৱশেষ পৰিদৃষ্ট হয়। এই মথাউৰিয়ে খৰস্ৰোতা কাবেৰীৰ তীব্ৰ স্ৰোতধাৰাক আজিও আংশিক নিয়ন্ত্ৰণ কৰিছে। এই মথাউৰি ৯০০ বছৰৰ আগেয়ে নিৰ্মিত হৈছিল। এই মথাউৰিৰ নাম হ'ল—*জঙ্গমঘাট্টে*। ইমান প্ৰাচীন কালত আজিও জলধাৰাক নিয়ন্ত্ৰণ কৰিব পৰা মথাউৰি কোনসকলে সাজিছিলনো ? শুনিলে-ভাবিলেও আচৰিত মানিব লাগে যে—তৎকালীন সন্যাসীসকলেই এই আশ্চৰ্য্য মথাউৰি সাজি উলিয়াইছিল—কোনো 'টেকনলজি'ৰ সহায়তা বিনে !



চুঞ্চনকাট্টে নিজৰা

চুঞ্চনকাট্টে নামৰ স্থানত—কাবেৰী নৈ ২০ ফুট ওখ হৈ প্ৰবাহিত হয় ('চুঞ্চা' নামৰ এজন জনজাতি চৰ্দাৰৰ নামেৰে এই স্থানৰ নাম, কোৱা হয় যে এওঁৱেই এই মথাউৰি সাজিছিল) এই স্থানৰ ওচৰত ধনুষ্কোটি নামৰ এডোখৰ ঠাই আছে (দক্ষিণ ভাৰতৰ সেই সুবিখ্যাত 'ধনুষ্কোডি' নহয়), য'ত সীতাদেৱীয়ে কাবেৰী নৈৰ পানীত স্নান কৰিছিল বুলি জনশ্ৰুতি মূলক প্ৰবাদ আছে। এই কাৰণে এই সুবিখ্যাত ধনুষ্কোটি নামৰ ঠাইৰ অন্য নাম—'*সীতেয় বচ্চলু*।' ইয়াতে সুবিখ্যাত কোদণ্ডৰাম মন্দিৰ আছে।



কৃষ্ণৰাজসাগৰ মথাউৰি

আধুনিক দিনত সজা মথাউৰিয়ে কৰ্ণাটক ৰাজ্যৰ বহু ঠাইত কাবেৰীৰ জলধাৰাক নিয়ন্ত্ৰণ কৰিছে। এই মথাউৰিসমূহৰ মাজত আটাইতকৈ উল্লেখ্য হ'ল কন্নামবাড়ি বা কৃষ্ণৰাজসাগৰ মথাউৰি। এই বিশাল মথাউৰি —কাবেৰী, হেমাৱতী আৰু লক্ষ্মণতীৰ্থ নামৰ নৈৰ সঙ্গমস্থলত অৱস্থিত।

এই জগদ্বিখ্যাত মথাউৰি এগৰাকী স্বপ্নদৰ্শী ব্যক্তিৰ ৰূপাৰোপ। এখেতৰ নাম হ'ল—মোক্ষগুণ্ডম বিশ্বেশ্বৰায়া। এখেত আছিল ইংৰাজ আমোলৰ এগৰাকী প্ৰখ্যাত এনজিনিয়াৰ। বৃটিছে এখেতক 'স্যাৰ' উপাধিৰে, আৰু পাছত স্বাধীন ভাৰতে এখেতক 'ভাৰতৰত্ন' উপাধিৰে ভূষিত কৰিছিল। পুনে-ৰ এনজিনিয়াৰিং কলেজত অধ্যয়নৰ অন্তত এখেত ২৫ বছৰলৈ বম্বে চৰকাৰৰ এনজিনিয়াৰ হিচাপে কৰ্মৰত আছিল। ১৯০৪ চনত এখেতে পুনে-ৰ ওচৰত খড়কবাছলা-মথাউৰিত স্বয়ংচালিত জল-দ্বাৰ (অৰ্থাৎ—অটোমেটিক স্লুইছ গে'ট) সাজি উলিয়াইছিল। এই স্বয়ং-দ্বাৰ অতিৰিক্তপানীৰ প্ৰবাহৰ সময়ত আপোনাআপুনি খুলি অতিৰিক্ত পানী উলিয়াই দিয়ে, আৰু প্ৰবাহ তাকৰি আহিলে আপোনা-আপুনিয়েই বন্ধ হয়। তেওঁৰ আৱিষ্কৃত এই স্বয়ংচালিত জলদ্বাৰৰ তেওঁ পেটেন্ট লৈছিল, কিন্তু কোনো ৰয়্যালটি ল'বলৈ অস্বীকাৰ কৰিছিল। ১৯০৯ চনত স্যাৰ বিশ্বেশ্বৰায়াই তৎকালীন মহীশূৰ ৰাজ্যৰ চিফ এনজিনিয়াৰৰ পদ অলংকৃত কৰিছিল।

১৯০২ চনত কছৱাভিৰপৰা ৩৫ কিল'মিটাৰ আঁতৰত শিৱসমুদ্ৰম্ নিজৰাৰ সহায়ত বিশ্বেশ্বৰায়াই ভাৰতৰ প্ৰথম জলবিদুৎ কেন্দ্ৰ নিৰ্মাণ কৰিছিল।



বৃন্দাৱন গাৰ্ডেন

এই জলবিদ্যুৎকেন্দ্রৰপৰা মহীশূৰস্থ বিখ্যাত কোলাৰ স্বৰ্ণখনিলৈ বিজুলীৰ যোগান ধৰা হৈছিল। কিন্তু শিৱসমুদ্ৰম্ নিজৰাৰ পানীৰ প্ৰবাহ যেতিয়া তাকৰি আহে, তেতিয়া বিজুলীৰ উৎপাদন কম হোৱাত কোলাৰ স্বৰ্ণখনিলৈ যোগান নিদাৰুণভাবে ব্যাহত হৈছিল আৰু তাৰ ফলত আনকি সোণৰ উৎপাদনো হৈছিল ঢেৰ কম।

এই কথাত কোলাৰ স্বৰ্ণখনিৰ কৰ্তৃপক্ষ অতিপাত চিন্তিত হৈ উঠিল। তেওঁলোকে বহু ধৰণে চিন্তা কৰিও কোনো উপায় নোপোৱা হ'ল।



কোলাৰ-স্বৰ্ণখনিত ড্ৰিলিং

তাৰ পাছত—স্বৰ্ণখণিৰ মুখ্য ইংৰাজ এনজিনিয়াৰে এদিন এই বিষয়ে স্যাৰ বিশ্বেশ্বৰায়ক ক'লেগৈ। স্যাৰ বিশ্বেশ্বৰায়াই কাবেৰী নৈত এক বিৰাট মথাউৰি সজাৰ আঁচনি দিলে আৰু ক'লে যে—এই মথাউৰি নিৰ্মাণ কৰিব পাৰিলেহে কোলাৰৰ সোণৰ খনিলৈ বিজুলীৰ যোগান গোটেই বছৰ ধৰি অব্যাহত থাকিব।

এই বিৰাট যোজনাৰ ব্যয়, আনুমানিক ২.৫ কোটি টকা, যি-পৰিমাণৰ ব্যয় তেতিয়াৰ দিনত আছিল এক অভাৱিত কথা। কিন্তু মহীশূৰৰ প্ৰগতিশীল মহাৰাজ কৃষ্ণৰাজ আড়েয়াৰদেৱে এই বিপুল অৰ্থও ৰাজ্যৰ তথা সমগ্ৰ দেশবাসীৰ স্বাৰ্থত মঞ্জুৰ কৰিলে।

১৯১১ চনত কন্নেৰাডি ২৬২১ মিটাৰ দীঘল আৰু ৪৩ মিটাৰ ওখ মথাউৰি সজাৰ আঁচনি লোৱা হ'ল। এই মথাউৰিয়ে ১৪০ কোটি ঘন-মিটাৰ পানীক আটক কৰি ৰাখিবলৈ সক্ষম হ'ব। ১৯১৫ চনলৈকে ২৪ মিটাৰ ওখ মথাউৰি সজা হ'ল আৰু তেতিয়া কোলাৰ স্বৰ্ণখনিলৈ অব্যাহতভাবে বিজুলীৰ যোগান ধৰিব পৰা হ'ল। এই মথাউৰি ১৯২৪ চনত সমাপ্ত হৈছিল।

কন্নেৰাডি মথাউৰি ছিমেন্টেৰে নহয়, 'ছুৰকি' অৰ্থাৎ ইটা-গুড়িৰে নিৰ্মিত হৈছিল। কোৱা হয় যে—এই ইটাগুড়ি ছিমেন্টতকৈ ১০ গুণে শক্তিশালী তথা মজবুত আৰু ছিমেন্টৰ পৰে ক্ষয় নহয়।

এই কন্নেৰাডি মথাউৰিৰ নাম মহীশূৰৰ উদাৰ প্ৰজাৰঞ্জক মহাৰজা কৃষ্ণৰাজৰ নামেৰে—কৃষ্ণৰাজসাগৰ ৰূপে নামকৰণ কৰা হৈছে।

এই মথাউৰিৰ ১৮ মিটাৰ তলত আছে *বৃন্দাৱন গাৰ্ডেন* নামৰ এক অতি নয়নাভিৰাম বাগিচা। ১৯২৬-১৯৩৬ চনত এই অপৰূপ বাগিচা নিৰ্মিত হোৱাৰেপৰাই এই বাগিচা হ'ল আমাৰ দেশৰ অৰ্থাৎ ভাৰতৰ এক উল্লেখযোগ্য বিখ্যাত পৰ্যটন কেন্দ্ৰ।

পাছত—এই মথাউৰিৰ ১৮ মিটাৰ উচ্চতাত এটা খাল খান্দি উলিউৱা হ'ল, আৰু এই খালটিৰ নাম হ'ল 'বিশ্বেশ্বৰায়া খাল'।

এই খালৰ পানীৰে ৩৬০০০ হেক্টাৰ মাটিত সিঁচনৰ ওপৰঞ্চি সুবিধা ওলাল। এই খালৰ নিৰ্মাণত ১০০০০ বনুৱাই আৰু লগতে সৰু-বৰ অসংখ্য এনজিনিয়াৰেও দিনে-নিশাই কাম কৰিছিল। এই খাল নিৰ্মাণৰ সময়ত এবাৰ বান-পানীয়ে সমগ্ৰ অঞ্চলত বিজুলীৰ উৎপাদন স্তব্ধ কৰি দিয়াত এওঁলোকে ল্যানটার্ন কেৰাছিন-চাকি জ্বলাই ওৰে নিশা কাম কৰি মথাউৰিৰ এক বিৰাট ফাট বন্ধ কৰি সমগ্ৰ মহীশূৰ ৰাজ্যক বানপানীৰ ভয়ংকৰ সৰ্বনাশৰপৰা ৰক্ষা কৰিছিল।

কিন্তু কন্নেৰাডিত মথাউৰি সজাৰ প্ৰথম গৰাকী ব্যক্তি স্যাৰ বিশ্বেশ্বৰায়া নাছিল।

তাৰো বহু আগতে, ১৭৯৪ চনত এডোখৰ শিলালিপিত উৎকীৰ্ণ যি ববৰণ এই ঠাইৰ মাটিৰ তলত পোৱা গৈছিল, সেই শিলালিপিত লিখিত হৈছিল ঃ

"...পৰম দয়াৱান আল্লাহ্ৰ নামত...হযৰত টিপ্পু ছুলতানে...ৰাজধানীৰ পশ্চিমত...নৈৰ সিপাৰত মথাউৰি নিৰ্মাণকল্পে...। আৰম্ভ মই কৰিলোঁ, কিন্তু এই মথাউৰিৰ সম্পূৰ্ণতা আল্লাহ্ৰহে মৰ্জি...।"

ডঃ এছ. বিশ্বেশ্বৰায়াক (১৮৬০-১৯৬৫২) মহীশূৰৰ আধুনিক যুগৰ বাট-কটীয়া বুলি অভিহিত কৰিব পাৰি।

স্যাৰ এম. বিশ্বেশ্বৰায়া

১৯১২-১৯১৮ চনলৈকে তেওঁ মহীশূৰ ৰাজ্যৰ প্ৰধানমন্ত্ৰীৰ পদ অলংকৃত কৰিছিল। কৃষ্ণৰাজসাগৰ মথাউৰিৰ ৰূপকাৰ হিচাপেই যদিও তেওঁ সৰ্বাধিক খ্যাত, তথাপি, এই মথাউৰি সজাৰ বাহিৰেও মহীশূৰ বিশ্ববিদ্যালয়, ভদ্ৰাৱতী লো আৰু তীখাৰ কাৰ্যনা, মহীশূৰ ৰাজ্যিক বেংক, ৰাজ্যিক বীমা বিভাগ স্থাপনা, চৰকাৰী চাবোন-কাৰ্যনা আদি প্ৰতিষ্ঠিত হৈছিল। তেওঁৰ প্ৰধানমন্ত্ৰিত্বৰ আমোলত মহীশূৰ ৰাজ্যত বিদ্যালয়ৰ সংখ্যা দ্বিগুণিত হৈছিল। তেওঁ ঔদ্যোগীকৰণৰ ওপৰত প্ৰচুৰ পুস্তক ৰচনা কৰিছিল আৰু সেইবোৰ পুস্তক আজিও শিক্ষাৰ্থীসকলৰ জ্ঞানৰ খনিস্বৰূপ হৈ আছে—এই কথা আজিৰ এনজিনিয়াৰিঙৰ পণ্ডিতবৰ্গয়ো নিৰ্দ্বিধাই স্বীকাৰ কৰে। স্যাৰ নিশ্বেশ্বৰায়া যে কিমান দূৰদৰ্শী আছিল, তেওঁ যে তেওঁৰ সময়তকৈ কিমান আগবঢ়া আছিল—এই স্বীকৃতিয়েই তাৰ দেখ দেখ প্ৰমাণ।

স্যাৰ বিশ্বেশ্বৰায়াদেউ দীৰ্ঘকাললৈকে সক্ৰিয়ভাৱে জীৱিত আছিল। তেওঁ তেওঁৰ ৮৬ বছৰ বয়সত আনাৰ সহায়তা বিনে ৭৫ ফুট ওখ খটখটি বগাব পৰিছিল আৰু ৯০ বছৰ বয়সত ঔদ্যোগিক-প্ৰতিনিধিৰূপে যোগদান কৰিবলৈ তেওঁ অস্ট্ৰেলিয়ালৈ গৈছিল।

চতুৰ্থ কৃষ্ণৰাজা আডেয়াৰ

ভূত ক'ত থাকে

ৰমন আৰু ৰমা আছিল এহাল দম্পতি। দম্পতি—কিন্তু সদা-সৰ্বক্ষণেই দন-কাজিয়া কৰে। এওঁ যদি বোলে হয়, তেওঁ বুলিব নহয়। ইহঁতহালৰ তই-তই মই-মই চুবুৰিত অতি বিখ্যাত। কিছুমানে এইহালক বেলেগে বেলেগে সদবুদ্ধি দিছিল, কিন্তু তাৰে এই হালৰ কোনো উপকাৰ হোৱা নাছিল, তেওঁলোকৰ উপদেশলৈ উপেক্ষাহে কৰিছিল।

যি কি নহওক—ভালেমান দিনৰ পাছত ৰমন-ৰমাই ল'ৰা সন্তান এটি লভিলে। ল'ৰাক—মানে ৰাজক দুয়োজনেই বৰ ভাল পাইছিল, কিন্তু তথাপি এইহালৰ মাজত দন্দ-বান্দৰ অন্ত পৰা নাছিল।

ক্ৰমাত ৰাম ডাঙৰ হ'ল। আৰু ডাঙৰ হোৱাৰ লগে লগে এই কথাটি বুজা হ'ল যে তাৰ মাক-দেউতাক হ'ল কাজিয়াখোৰ, কাজিয়া বিনে এটা দিন এটি নিশাও পাৰ নহয়।

ৰাম যেতিয়া বাৰ বছৰীয়াটো হ'ল, তেতিয়া এই কথাত বৰ লাজ পোৱা হ'ল যে—তাৰ মাক-দেউতাক চুবুৰিতো এই কাজিয়াখোৰিৰ কাৰণে নিন্দাৰ পাত্ৰ-পাত্ৰী। ক্ৰমে এই কথাত ৰাম অশান্ত হৈ উঠিল।

এদিন গাই এহালক চৰাবলৈ চৰণি পথাৰলৈ গৈ সি তাৰ মাক-দেউতাকৰ বিষয়ে দ'কৈ ভাবি থাকোঁতে তাত এজন ভূত-জৰা ওজা—বত্ন ওজা—তালৈ আহিল। ওজাই চিন্তাগ্ৰস্ত ৰাজক সুধিলে, "কি অ' বোপা ৰাম, তুমি—কোনোবা কথাত চিন্তাত পৰিছানে কি? ইমান যে আমন-জিমন হৈ বহি আছা যে —কথানো কি?"

ৰামে ওজাক সকলো কথা খুলি-মেলিয়েই ক'লে। ক'লে যে, "মা-দেউতাৰ

'পাঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'



এনেবোৰ লেতেৰা কাজিয়া-পেচালৰ অন্ত নপৰালৈকে মই সুস্থ হ'ব নোৱাৰিম।"

"চিন্তা নকৰা বোপা, ক'লাই যেতিয়া মোক—সকলো ঠিক কৰি দিম। মই যেনেকৈ ক'ম, তেনেকৈ কাম কৰিবা।" এই বুলি কৈ, ওজাই ৰামৰ কাণে কাণে কিবাকিবি কৈ দিলে।

গধূলিৰ আগে আগে ঘৰ পায়েই ৰামে চিঞৰি-বাখৰি তাৰ মাকক কৈ থাকিল, "বোলোঁ—মোৰ চোলা আৰু পেন্টটো চাফা কৰি শুকাই থ'বলৈ কৈছিলোঁ যে—পাহৰিলাইনে ? মই যে তোমাৰ ল'ৰা—তাকো কিজানি পাহৰি আছা, নহয়নে ?"

ৰামৰ কথা শুনি কান্ড চাই মাক ৰমা অতি অবাক হ'ল। কথানো কি ? কালিলৈকো যিটো ৰাম আছিল ইমান শান্ত—আজি কিয়নো উদন্ড ? কিয় সি এনেকৈ তাল-ফাল লগাইছে ? ৰমাই ভাবি থাকিলঃ ক'তা—সি তো মোক তাৰ চোলা-পেন্ট চাফা কৰিবলৈ কোৱা নাছিল ? কিয় সি এনেকৈ মিছা মাতিছে ? তাৰ মাজত আজি এনে এক অদ্ভুত পৰিৱৰ্তন হ'ল কিয় ?

পিতাকে তাক সুধিলে, "ক'চোন—আচলতে তোৰ কি হৈছে—?"

"মোৰ ভাল চোলা-পেন্ট নাই, জোতা নাই। শুদা ভৰিত কত যে কাঁইটে বিন্ধে—। মই তোমালোকৰ একমাত্ৰ ল'ৰা, কিন্তু মোৰ পিনে তোমালোকৰ দেখোন মন-কাণেই নাই।" ৰামে অতি কটুতাৰে কথাখিনি ক'লে।

পুতেকৰ কথা শুনি পিতাক হতবাক। ৰামে আজিপৰ্যন্ত কোনো বস্তুকে খোজা নাছিল। আৰু—ইমান কটুৰবো কটুৰ কথাও সি কোনোদিনেই কোৱা নাছিল।

তিমানতে নানান বস্তু কিনি লৈ ৰমাও ঘৰ পাইছিলহি। ৰমাই বাপ -পোৰ মাজত হৈ থকা কথাখিনি বাহিৰত থিয় হৈ শুনিছিল আৰু আচৰিত মানিছিল পুতেকৰ এনেহেন সাহসৰ কথা ভাবি।

ৰাতিৰ পৰতে ভাত খাবলৈ বহিও ৰামে নানান অভিযোগ-অনুযোগ কৰিলে আৰু বলিয়াৰ দৰে বলকিবলৈ ধৰিলে।

আৰু প্ৰায় সাত দিন ধৰি পুতেকৰ এই অদ্ভুত আচৰণ লক্ষ্য কৰি মাক ৰমাই গিৰিয়েকক ক'লে, "তাৰ ওপৰত—ভূতেই

লম্ভিলেনে কি— ? কোনো ওজা-তোজাক মাতি মন্ত্র-তন্ত্র আওৰালে কিজানি— ”

“মন্ত্র-তন্ত্ৰেৰে একো নহ'ব। লাগিব— পিঠিত ঔ—বা পেটত দেৰাই।”

গিৰিয়েকৰ কথাৰ উত্তৰত ঘৈণীয়েকে ক'লে, “ভূতে-লম্ভা বেমাৰৰ দৰৱ পায়নে? ভূতে-লম্ভাক একমাত্র ভূত-জৰা ওজাইহে ভাল কৰিব পাৰিব।”

“ওজা-তোজাৰে একো নহ'ব। বেজেহে দৰবেৰে তাক ভাল কৰি তুলিব।” এই কথাত দুয়ো আগৰ দৰেই কাজিয়া কৰি থকাত ৰামে কৈ উঠিল, “কোনোবা ভূতৰ ওজাৰ ওচৰলৈ যাব লাগে যদি যাম, — কোৱা, মোৰ আৰুনো আছে কি কাম?”

যি কি নহওক—ৰামক দুয়ো মিলি সেই ভূত-জৰা ওজাৰ ওচৰলৈ লৈ গ'ল।

ৰমন-ৰমাৰ সকলো বক্তব্য মনপুতি শুনাৰ অন্তত ৰত্ন ওজাই সিহঁতহালক ক'লে, “তোমালোকৰ ল'ৰাটোক ভাল কৰি তোলাটো কোনো টান কাম নহয়। কিন্তু তাৰ আগতে— তোমালোকক মই এটা প্রশ্ন সুধিম। সেই প্রশ্নৰ উত্তৰ পোৱাৰ পাছতহে ৰামক সুস্থ কৰি তুলিব পাৰিম। পিছে— তোমালোকক মই বেলেগে প্রশ্ন সুধিম।”

ওজাই প্রথমতে ৰমনক আন এটা কোঠাল লৈ গ'ল আৰু সুধিলে, “ৰাম— তোমাৰেই ল'ৰা নহয়নে?”

এই প্রশ্ন শুনি ৰমনে অবাক মানি ক'লে, “ওঁ—ওঁ, ৰাম মোৰেই ল'ৰা।”

তাৰ পাছত ৰমাক মতাই অনাই ওজাই একেই প্রশ্ন সুধিলে। ৰমায়ো ক'লে, “ওঁ, ৰাম মোৰেই ল'ৰা।”

তাৰ পাছত ওজাই দুয়োজনকে ক'লে, “তোমালোকে কিন্তু সঠিক উত্তৰ দিব



নোৱাৰিলা। মই সাতদিনৰ সময় দিছোঁ, এই কথাৰ সঠিক উত্তৰ—দুয়োজনেই ভাবি চাবা। আৰু সাতদিনৰ অন্তত পুনৰ এই সময়তে মোৰ ওচৰলৈ আহিবা।"

সাতদিনৰ পাছত পুনৰ যেতিয়া সিহঁতহাল ওজাৰ কাষ চাপিল, ওজাৰ প্ৰশ্নৰ উত্তৰত ৰমনে ক'লে, "ওঁ, ৰাম হ'ল মোৰ পৰিবাৰৰ ল'ৰা।"

ৰমাই পুনৰ ৰত্ন ওজাক ক'লে যে—ৰাম তেওঁৰহে ল'ৰা।

ওজাই এইবাৰো ক'লে, "এইবাৰো তোমালোকে সঠিক উত্তৰ দিব নোৱাৰিলা। এই বিষয়ে দুয়ো মিলি দ'কৈ ভাবি চাবা, আৰু সাতদিনৰ অন্তত দুয়োজনেই পুনৰ মোৰ ওচৰলৈ আহিবা।"

এইবাৰ যেতিয়া ৰমন-ৰমা ওজাৰ কাষ চাপিল, তেতিয়া দুয়োজনেই এক হৈ ওজাক ক'লে, "আমি এই বিষয়ে একমত হৈছোঁ যে—ৰাম হ'ল আমাৰ উভয়ৰে সন্তান।"

ওজাই আন্তৰিকতাৰে হাঁহি মাৰি দুয়োকো ক'লে, "এইবাৰ তোমালোকে সঠিক উত্তৰ দিলা আৰু ইমান দীৰ্ঘদিনৰ অন্তত তোমালোকৰ মূৰৰ ভূত তোমালোকেই জোকাৰি পেলালা। মোৰ প্ৰশ্নৰ উত্তৰত কি ক'বা—সেই কথা যে তোমালোকে আলোচনা কৰিলা—সঠিক কামকে কৰিলা। পতি-পত্নী যেতিয়া এক হয়, তেওঁলোকৰ দুনীয়াখনেই এক হয়। কিন্তু যদি মানসিকভাবে হ'লেও বেলেগ হয়— কথা বিষম হয়গৈ। ৰামৰ একো হোৱা নাই, একো হোৱা নাছিল। ৰান সম্পূৰ্ণ সুস্থ। মোৰ উপদেশ মতেই— তোমালোকৰ মাজত থকা ভেদ-প্ৰভেদজনিত কাজিয়া-পেচালৰ অন্ত পেলাবলৈ আন কোনো উপায় নাই ৰামহে মোৰ ওপৰতে লম্ভিছিল। এতিয়া তোমালোকৰ মূৰৰ ভূত নামিল, মোত লম্ভা তোমালোকৰ ৰামৰ বেমাৰো গুচিল। ভূত যে ক'ত থাকে— এতিয়া বোধ কৰোঁ বুজিছা।"

ৰমন-ৰমাই ওজাৰ কথাখিনি মনে-চিতে বুজি পালে আৰু সিদিনাৰেপৰাই দুয়ো মিলি এক হৈ সংসাৰধৰ্মলৈ আৰু লগতে ল'ৰাৰ কুশল-মংগললৈকো মন দিলে।

(৭)

ৰেলু তম্পি

ৰচন : মীৰা উগ্ৰা ❋ চিত্ৰণ : গৌতম সেন

মেকলেলৈ এই সম্বাদ পঠোৱা হ'ল। সিপিনে কুনজি পিল্লৈৰ নেতৃত্বত ৱেলু তম্পিয়ে ঢকা-নাৱৰে কোচিনলৈ বুলি আগ বাঢ়িল গৈ থাকিল।
আৰু-১৮৩৮ চনৰ ২৮ ডিছেম্বাবৰ দিনা কেচিনি থকা বৃটিছৰ ৰাজ-প্ৰতিনিধক আক্ৰমণ কৰিলেগৈ। এই ঘটনাত মেকলে অতিপাত বিস্মিত হৈ পৰিল।
ৱেলু তম্পিৰ সৈন্যহঁতে বৃটিছ প্ৰতিনিধিৰ ৰেছিডেন্সি তচো-নচো কৰিলে, সকলো দলিল-পত্ৰাদি জ্বলাই দিলে। কিন্তু মেকলে এছেগত পলাই সাৰিল।
দুৰ্ভাগ্য!
চৰাই উৰিল!
পাছদিনা আলেপ্পি আৰু কুইলনত থকা বৃটিছ ৰেছিডেন্সি আক্ৰান্ত হ'ল।
ৱেলু তম্পি কুইলনৰ অনতিদূৰতে কুন্ডাৰা নামৰ ঠাইলে উপস্থি হ'ল আৰু এই ঘোষণা কৰিলে:
কম্প্যানিৰ শাসনৰ অন্ত পৰিল...

ৰেলু তম্পিয়ে ক'লে, "আমাৰ মাতৃভূমিক বৈদেশিক বণিজাৰৰূপী লুটিয়াৰহঁতৰ কবলৰপৰা ৰক্ষা কৰিবলৈ আমি সিহঁতক খেদিমেই...।"
ৰেলু তম্পিৰ কথাত জনসাধাৰণ বৃটিছৰ তথা ইংৰাজৰ বিৰুদ্ধে অস্ত্ৰ ধাৰণ কৰিলে...গণ-বিদ্ৰোহৰ সৃষ্টি হ'ল ...।
তিমানতে গণ-বিদ্ৰোহৰ বাতৰি কম্প্যানিৰ হেড কোৱাৰ্টাৰ মাদ্ৰাজ পাইছিলগৈ। অতি দ্ৰুততাৰে আৰু বিপুল সংখ্যাৰে সকলো ফালৰেপৰাই ফৌজ পঠোৱা হ'ল।
আৰু ১৮০৯ চনৰ ১৮ জানুৱাৰিৰ দিনা এক বিষম যুদ্ধত ৰেলু তম্পিৰ সৈন্যবাহিনী কুইলনত বেয়াকৈ পৰাজিত হ'ল।
কেইসপ্তাহমানৰ অন্তত ১২ ফেব্ৰুৱাৰিৰ দিনা আৰমবোলি নামৰ ঠাইত তাম্পি পুনৰ পৰাজিত হ'ল ...
হায় ! সকলো হেৰুৱালোঁ ! কোচিনৰ মন্ত্ৰী পলিয়াথু মেননে তেওঁৰ প্ৰতিশ্ৰুতি মতে মোলৈ সহায়-সাৰথি পঠোৱাহেঁতেন এই পৰাজয় একোপধ্যেই নহ'লহেঁতেন...

বৃটিছ ফৌজ ত্রিবাঙ্কুৰলৈ বুলি আগবঢ়াৰ বাতৰি পাই, ৱেলু তম্পিয়ে শেষ বাৰৰ বাবে ৰজাৰ সৈতে সাক্ষাৎ কৰিলে।
বিদায়, মহাৰাজ! বৃটিছ প্রতিনিধিলৈ লিখা মোৰ এই পত্রত বিদ্রোহৰ সকলো দায়িত্ব মই ব্যক্তিগতভাবে মূৰ পাতি লৈছোঁ, আৰু মোৰ এই কাৰ্য্যত আপোনাৰ সন্মতি নাছিল বুলিও লিখিছোঁ। এতেকে আপুনি বা প্রজা-ৰাইজ কম্প্যানিৰ দৃষ্টিত জগৰীয়া নহ'ব।...
কিন্তু ৱেলু তাম্পিৰ পত্রই মেকলেক তুষ্ট কৰিব নোৱাৰিলে...
বৃটিছ ৰাজ-প্রতিনিধিয়ে-আমাৰ নির্দোষিতাৰ প্রমাণ বিচাৰিছে... সিহঁতে দালোৱাক গ্রেপ্তাৰ কৰিব বুলিও লিখি পঠাইছে...
ত্রিবাঙ্কুৰৰ ৰজাই তেওঁৰে প্রধানমন্ত্রীক অর্থাৎ দালোৱাক গ্রেপ্তাৰ কৰিবলৈ সকলোতে বিত বিতকৈ বিচাৰি থাকিল, কিন্তু দালোৱা ৱেলু তম্পিয়ে ছদ্মবেশ ধাৰণ কৰি ইঠাই সিঠাইকৈ ঘূৰি থাকিল...। আৰু এইদৰে তেওঁ ...ৰু তেওঁৰ ভায়েক এজন মুন্নডিৰ এক ...ৰলৈ সোমাই আছিলগৈ...
...শুনিছানে...? মন্দিৰক বাহিৰত ইংৰাজ ফৌজৰ পদধ্বনি...
...মোক বধ কৰাঁ!
ন-নহয়! ম-মই নোৱাৰিম!
ৱেলু তম্পিয়ে ডেগাৰেৰে আত্মঘাতী হ'বলৈ চেষ্টা কৰিও ব্যর্থ হ'ল...
শীঘ্রে মোক হত্যা কৰাঁ!
আৰু এইবাৰ ভায়েকে ককায়েকক হত্যা কৰি ইংৰাজৰ হাতত বন্দী হৈ মৰাৰ চৰম অপমানৰপৰা ৰক্ষা কৰিলে।...

৪৬

সঞ্জয়ে দৌত্যধৰ্ম সমাপন কৰি হস্তিনাপুৰলৈ উলটি মহাৰাজ ধৃতৰাষ্ট্ৰৰ সৈতে মিলিল। সঞ্জয়ে ধৃতৰাষ্ট্ৰক ক’লে, “ৰাজন্! মোৰপৰা সকলো কথা অপৰিসীম ধৈৰযৰে একণপতীয়াভাৱে শ্ৰৱণ কৰাৰ অন্তত ধৰ্মৰাজে আপোনাকেই দোষী সাব্যস্ত কৰিলে, আপোনাতে তেওঁ দোষাৰোপ কৰিলে এই অনৰ্থকৰ ঘটনাৱলীৰ বাবে। পান্ডৱসকলৰ সৈতে আলোচনাৰ পূৰ্ণ বিবৰণ মই পৰিপূৰ্ণ ৰাজসভাতে বিবৰিম।” এই বুলি কৈ, ধৃতৰাষ্ট্ৰৰপৰা অনুমতি লৈ, সঞ্জয় গ’লগৈ।

ধৃতৰাষ্ট্ৰই বিদুৰক মতাই অনাই ক’লে, “সঞ্জয় পান্ডৱসবৰ সৈতে সাক্ষাৎ কৰি উভতি আহিল। মই চিন্তাত নিদ্ৰাহীন। বিদুৰ, তুমি যদি পাৰা—তেনেহলে মোৰ এই উত্তেজিত মন যিকোনো প্ৰকাৰেৰে শীতল কৰাঁ।”

বিদুৰে ধৃতৰাষ্ট্ৰক ক’লে, “মহাৰাজ, ভূমিৰ লোভৰ বশৱৰ্তী হৈ মিছা নামাতক। আপুনি—একমাত্ৰ দুৰ্য্যোধনৰ কাৰণে পান্ডৱলৈ অবিচাৰ কৰি তেওঁলোকৰ বিৰাগভাজন হ’ল। এই কাৰ্য্য নিৰতিশয় অবাঞ্ছিত কাৰ্য্য। মোৰ অনুৰোধ, পান্ডৱসৱক মতাই অনাই তেওঁলোকৰ হৃত ভূমি তেওঁলোকক ঘূৰাই দিয়াৰ ব্যৱস্থা লওক। নহ’লে—শেহান্তৰত আপোনাৰ সৰ্বনাশ হ’ব—এই কথা ধ্ৰুৱ বুলি জানি থওক।”

ধৃতৰাষ্ট্ৰই ক’লে, “মই সদায়েই পান্ডৱসবৰ মংগলকে চিন্তিছোঁ। কিন্তু দুৰ্য্যোধনৰ কথা সোঁৱৰামাত্ৰেই মোৰ মতিভ্ৰম হয়। এইসব হ’ল দৈৱৰ বিধান। দৈৱৰ অমোঘ বিধানৰ বিৰুদ্ধে মই অসহায়ে বাৰু কি কৰিব

পাৰোঁ ? আমি সকলো কথাতে দৈৱাধীন।"

পাছদিনা পৰিপূৰ্ণ ৰাজসভাত সঞ্জয়ে উঠি থিয় দিলে আৰু ক'লে, "হে সজ্জনসকল, মই পান্ডৱসবৰ ওচৰলৈ গৈছিলোঁ। তেওঁলোকে আপোনাসবৰ কুশল-মংগল সুধিলে। মই—মহাৰাজ ধৃতৰাষ্ট্ৰই কৈ পঠোৱা সকলো কথা তেওঁলোকক ক'লোঁ।"

ধৃতৰাষ্ট্ৰই ক'লে "সঞ্জয়, আন সকলো কথা পাছতো শুনিম, অৰ্জুনে কি ক'লে, সেই কথা প্ৰথমতে কোৱাঁ।"

তেতিয়া সঞ্জয়ে কৈ থাকিল ঃ

"অৰ্জুনে আপোনক এই কথা ক'বলৈ কৈছে যে—'দুৰ্য্যোধনে আৰু তেওঁৰ লগা-ভগা সকলে অপৰিমিত পাপ কৰিলে, কিন্তু তেওঁলোকে তেওঁলোকৰ পাপৰ পৰাচিত নকৰিলে। যদি প্ৰকৃতপক্ষেই যুদ্ধ অনুষ্ঠিত হয়েই—তেতিয়া তেওঁলোকে তেওঁলোকৰ পাপ উপলব্ধি কৰিব পাৰিব। ধৰ্মৰাজে আজিকোপতি কোনো ক্ৰোধ প্ৰকাশ কৰা নাই। যদিহে ধৰ্মৰাজ ক্ৰুদ্ধ হয়, তেওঁৰ ক্ৰোধাগ্নিয়ে কৌৰৱসৱক ভস্ম কৰি পেলাব। নকুল, সহদেৱ, বিৰাট, দ্ৰুপদ, উপপান্ডৱ, অভিমন্যু আদিয়ে যুদ্ধক্ষেত্ৰত কৌৰৱৰ বিৰুদ্ধে জঁপিয়াই পৰে যদি কৌৰৱসৱৰ নাশ অৱধাৰিত। আমাৰ ৰাজ্যত ধৃতৰাষ্ট্ৰ মহাৰাজে যদি দুৰ্ঘোৰ অন্যায়বদ্ধাৰা পৰিচালিত হৈ শাসন চলায়—তেওঁৰ বিনাশ সমুপস্থিত বুলিয়েই ক'ব পাৰি। এতিয়া কৌৰৱসৱে কি কৰিবলৈ বিচাৰে, সেই সাৰ-কথা ভাবি-গুণি নিৰ্ণয় কৰি আমাক জনাব লাগে'।

তেতিয়া ভীষ্মই দুৰ্য্যোধনক ক'লে, "কৰ্ণ, শকুনি আৰু দুঃশাসনৰ কথাৰে তোমাৰ অন্তৰ কলুষিত হ'ল, তুমি স্বধৰ্ম বিস্মৃত হ'লা। কৌৰৱ-পান্ডৱৰ যুদ্ধৰ সম্ভাৱনা এতিয়াই বন্ধ কৰা। যদিহে বন্ধ নকৰা, তোমালোকৰ সমূহ-সৰ্বনাশ কোনেও ৰুধিব নোৱাৰিব।"

ভীষ্মৰ কথাত ক্ৰুদ্ধ হৈ পৰা কৰ্ণই উচ্চকণ্ঠেৰে কৈ থাকিল, "এই কথাখিনি ভীষ্মই নোকোৱাকৈ আন কোনোবাই মোক কোৱাহেঁতেন—তেওঁৰ মস্তক এতিয়াই দ্বিখণ্ডিত কৰি পেলালোহেঁতেন। মই সদায়েই ৰাজধৰ্ম পৰিপালন কৰি আহিছোঁ আৰু কৰি

থাকিম। দুৰ্য্যোধনৰ বিৰুদ্ধে মই কদাপি কোনো মাত মতা নাই, বা নামাতিম। যুদ্ধ যদি হয়েই—মই অকলেই পান্ডৱক সমুচিত শিক্ষা দিবলৈ সক্ষম। দুৰ্য্যোধনে, আৰু ধৃতৰাষ্ট্ৰই মোক যেতিয়াই যি কৰিবলৈ ক'ব, মই তেতিয়াই বিনা প্ৰশ্নে তাকে কৰিম।"

তেতিয়া ভীষ্মই ধৃতৰাষ্ট্ৰক ক'লে, "এই কৰ্ণই কথাইপ্ৰতি পান্ডৱক সমুচিত শিক্ষা দিয়ে, কিন্তু পান্ডৱসৱৰ মহান কাৰ্য্যৰ কোনো উল্লেখো নকৰে। বৰঞ্চ—কৰ্ণই পান্ডৱসৱক অযথা অন্যায় অপমান কৰাৰ কথাকে কয়। গো-গ্ৰহণৰ কালত অৰ্জুনে যেতিয়া কৰ্ণৰ ভাতৃক বধিছিল, তেতিয়া কৰ্ণই কিয় নিষ্ক্ৰিয় হৈ আছিল? কি কৰিব পাৰিছিল কৰ্ণ-বীৰে? ঘোষ যাত্ৰাকালত গন্ধৰ্বসকলে বন্দী কৰি লৈ যোৱা দুৰ্য্যোধনক কিন্তু কৰ্ণই মুক্ত কৰি আনিব পৰা নাছিল, পান্ডৱসৱেই মুক্ত কৰিছিল। গতিকে—আমাৰ এই বীৰ কৰ্ণ কথাৰ ফুলজাৰিত থাকিলেও কামত নাই।"

দ্ৰোণই ক'লে, "ভীষ্মৰ পৰামৰ্শ যথোচিত বুলি মই ভাবোঁ। অৰ্জুনে সঞ্জয়ৰ হতুৱাই যি কৈ পঠাইছে, তাত কোনো অতিশয়োক্তি আছে বুলি মই নাভাবোঁ। পান্ডৱসৱৰ সৈতে সন্ধিস্থাপনতে আমাৰ মংগল—এই অভিমত মই সদায়েই পোষণ কৰি আহিছোঁ।"

ভীষ্ম আৰু দ্ৰোণৰ বক্তব্য শুনি ধৃতৰাষ্ট্ৰ নিৰ্বাক হ'ল। তেওঁ এই বক্তব্যৰ বিৰোধিতাও নকৰিলে, সমৰ্থনো নকৰিলে। তেওঁ মাত্ৰ



সঞ্জয়কে সুধিলে যে—এই বিষয়ে ধৰ্মৰাজৰ আন্তৰিক অভিমত কি।

ধৃতৰাষ্ট্ৰৰ প্ৰশ্নৰ উত্তৰত সঞ্জয়ে ধৰ্মৰাজৰ বক্তব্য ধৃতৰাষ্ট্ৰৰ ওচৰত পৰিপূৰ্ণভাবে বিৱৰিলে আৰু এই সুস্পষ্ট মন্তব্য কৰিলে যে—যুদ্ধ যদি হয়েই—ধৰ্মৰাজো প্ৰস্তুত।

ভীমৰ কথা ভাবি ধৃতৰাষ্ট্ৰ কঁপি উঠিল। ভীম যে কিমান শক্তিধৰ—ভীষ্ম, দ্ৰোণ, কৃপাচাৰ্য্যই সেই কথা সুপৰিজ্ঞাত। ভীষ্ম, দ্ৰোণ, কৃপাচাৰ্য্য অৱশ্যে কৌৰৱৰে পক্ষ, তথাপি, তেওঁলোকৰ অন্তৰত পান্ডৱৰ স্থান অতি বিস্তৃত।

আৰু এইবোৰ এনেবোৰ ভাবি ভাবি এসময়ত ধৃতৰাষ্ট্ৰৰ অন্তৰত এই উপলব্ধি হ'ল

যে—যুদ্ধ যদি হয়েই সেই যুদ্ধত কৌৰৱ-বংশৰ বিনাশ অৱশ্যম্ভাৱী। কৌৰৱৰ মাজত পাণ্ডৱসৱত থকা যুদ্ধ-বিশাৰদ কোনো নাই। কৰ্ণ হ'ল কথাৰ ভঁৰাল। দ্ৰোণ বৃদ্ধ। আৰু—দ্ৰোণ হ'ল অৰ্জুনৰ গুৰু।

"যুদ্ধই যদি মূৰ দাঙেই, সেই যুদ্ধত কৌৰৱৰ বিনাশ ধ্ৰুৱসত্য। যুদ্ধ নহ'লেহে সকলোতে সকলো সুখী হৈ থাকিব পৰা সম্ভৱ। আপোনাসৱৰ সম্মতি-সমৰ্থন আছে যদি—পাণ্ডৱৰ সৈতে শান্তি স্থাপনলৈ আগ বাঢ়িব পাৰোঁ।" ধৃতৰাষ্ট্ৰই ক'লে।

তেতিয়া সঞ্জয়ে স্পষ্ট মাতেৰে কৈ উঠিল, "হে ৰাজন্, এই সমস্যাৰ গুৰি কিন্তু আপুনিয়েই। আপুনিয়েই এহি দুঃখৰ মূল কাৰক। অৰণ্যভূমি বাদে ৰাজ্যত যিমান ভূমি, সকলো পাণ্ডৱসৱৰ। তেওঁলোকে বিজয়ী হৈ যিবোৰ ভূমি আপোনালৈ সমৰ্পিছিল, আপুনি সেইবোৰ নিজা কৰি লৈছিল আৰু এতিয়া— সৰ্বভূমি আপোনাৰ বুলি আপুনি দাবী কৰিছে! এইবোৰ কথা জনা আনকি আপোনাৰ অধীনস্থ ৰজাসৱেও এই কথাত অৱশ্যেই পাণ্ডৱৰ পক্ষাৱলম্বন কৰিব। দুৰ্যোধনক যদি সেও মনাব নোৱাৰে, অনৰ্থ নিশ্চিত বুলি জানিব।"

তেতিয়া দুৰ্যোধনে তেওঁৰ পিতৃ ধৃতৰাষ্ট্ৰক ক'লে, "আমি যুদ্ধত পৰাজিত হ'ম বুলি আপুনি খাটাংকৈ ভাবি থৈছে। কিন্তু জানি থওক—আমি বিজয়ী হ'মেই। আপোনাক আৰু বিদুৰক বাদ দি—বাদবাকী সকলোকে বধিব বুলি কৃষ্ণই আঁচনি পাঙিছে। মই জানো, আপুনি ভীমৰ ভয়তে অতিপাত ভীত। কিন্তু মোৰ টাঙোনেৰে তাক মই নিশ্চয়েই বধিব পাৰিম। দ্ৰোণ বা অশ্বথামই অৰ্জুনক বধিব নোৱাৰিব বুলি ভাবেনে? কৰ্ণৰ ওচৰত আছে ইন্দ্ৰ-প্ৰদত্ত অদ্ভুত অমোঘ অস্ত্ৰ। পাণ্ডৱৰ পক্ষত ধৃষ্টদ্যুম্ন, সাত্যকী বাদে আৰুনো যোদ্ধা কোন?"

ধৃতৰাষ্ট্ৰই দুৰ্যোধনৰ কথাৰ উত্তৰ নিদিয়াকৈ সঞ্জয়ক সুধিলে যে পাণ্ডৱৰ যুদ্ধ-ব্যূহ কেনেকুৱা।

সঞ্জয়ে পাণ্ডৱসৱৰ যুদ্ধ-ব্যূহৰ বিস্তাৰিত বিবৰণ প্ৰদানিলে।

আৰু—সেই বিবৰণ শুনি ধৃতৰাষ্ট্ৰৰ

মুখমণ্ডল বিবৰ্ণ হৈ উঠিল। তেওঁ লগে লগে দুৰ্য্যোধনক ক'লে, "পুত্ৰ, যুদ্ধলিপ্সা ত্যাগ কৰাঁ, তাৰে সকলোটিয়েই তোমাৰ প্ৰশংসাত পঞ্চমুখ হ'ব। পাণ্ডৱসৱক তেওঁলোকৰ ভূমিভাগ স্বেচ্ছাই অৰ্পণ কৰাঁ। অজ্ঞানতাৰে নিজৰ ভৰিত নিজেই কুঠাৰ নামাবা।"

"কোনো কথা শুনাৰ বা কোনো অসাৰ উপদেশ গ্ৰহণ কৰাৰ আৱশ্যকতা মই অনুভৱ কৰা নাই। কৰ্ণ আৰু দুঃশাসন মোৰ সৈতে যুদ্ধক্ষেত্ৰত থাকে যদি—আন কোনোবা নাথাকিলেও হ'ব। আমি তিনিওয়েই পাণ্ডৱক খতম কৰাৰ পক্ষে যথেষ্ট। যেই কি নহওক—বিনা যুদ্ধে সূচ্যগ্ৰ মেদিনীও মই নিদিওঁ।" দুৰ্য্যোধনে তিগ্ৰমাণ্ডি খঙেৰে জ্বলি উঠি ক'লে।

কৰ্ণই দুৰ্য্যোধনৰ হৈ সমৰ্থন জ্ঞাপিলে। তেওঁ ক'লে যে—যুদ্ধৰ পৰিপূৰ্ণ দায়িত্ব তেওঁ চন্তালিব আৰু পাণ্ডৱৰ শেষ সৰ্বনাশ তেওঁ অৱশ্যেই কৰিহে এৰিব।

এনেকৈ ফুটনিৰে বেঙেনা ভজাত আমনি পাই ভীষ্মই কৈ উঠিল, "কৰ্ণ, তোমাৰ বুদ্ধিনাশ হৈছে কিজানি। অৰ্জুনৰ পৰাক্ৰম আৰু কৃষ্ণৰ কুশাগ্ৰ বুদ্ধিৰ আগত তুমিনো কোন কুটা ? জানিও নজনাৰ ভাও জুৰি এইবোৰ বলিয়া-বলকানি নকৰিলেই নহয়নে ?"

ভীষ্মৰ কথাত কৰ্ণ জ্বলি-পকি উঠিল আৰু ক'লে, "মানি ল'লোঁ যে কৃষ্ণ অতি মহান; কিন্তু সেই বুলি মোক এনেকৈ অপমান কৰাটো আপোনাক নোশোভে। ঠিক আছে—মই যদি ইমানেই অদক্ষ—মই শস্ত্ৰ-সন্যাস গ্ৰহণ কৰিছোঁ। আপুনি যুদ্ধক্ষেত্ৰত থকালৈকে মই যুদ্ধলৈ এখোজো আগ নাবাঢ়োঁ, এপাট কাঁড়ো নেৰোঁ।" এই বুলি কৈ, ক্ৰুদ্ধ কৰ্ণই তৎক্ষণাৎ সভাস্থল এৰি গুমাই গুচি গ'ল।

ভীষ্মই ইতিকিঙীয়া হাঁহিৰে ক'লে, "দুৰ্য্যোধন, অকলৈ শত্ৰু-সংহাৰ কৰিবপৰা যোদ্ধাই তো শস্ত্ৰ-সন্যাস ল'লে। এতিয়া যুদ্ধ-ভাৰ কোনে ল'ব ? কোনে চন্তালিব ? জয়দ্ৰথ, বাহ্লিকহেন মহাযোদ্ধাবৰ্গৰ সমুখত এনেকুৱা বৰ বৰ কথা উচিতনে ? নিজক ব্ৰাহ্মণ বুলি কৈ এহি কৰ্ণই পৰাশুৰামৰপৰা আয়ুধ প্ৰাপ্ত হ'বলৈ চেষ্টা কৰিছিল। এনেবোৰ অধাৰ্মিকেই হ'ল ন্যায়ী সংগ্ৰামী !"

ভীষ্মৰ মুখে কৰ্ণ হেন বীৰশ্ৰেষ্ঠৰ অনাকাংক্ষিত তথা অনাৱশ্যক নিন্দা দুৰ্য্যোধনৰ অসহনি হ'ল।

দুৰ্য্যোধনে ক'লে, "হে জ্যেষ্ঠভ্ৰাতা, এইবোৰ বিষয়ত পান্ডৱো আমাতকৈ বৰ বেছি উত্তম নহয়, সিহঁতো আমাৰ লগতে জনমিল —এতেকে আমাক সিহঁতে জনাৰ দৰে আমিও সিহঁতক জানো। শস্ত্ৰ-বিদ্যাত আমি বৰ পিছপৰা হৈ থকা নাই। গতিকে— পান্ডৱেই বিজয়ী হ'ব বুলি আপুনি কেনেকৈনো কয় ? যুদ্ধত মই কদাপি আন কাৰোবাৰ ওপৰত নিৰ্ভৰশীল হৈ থাকিবলৈ নিবিচাৰোঁ।"

দুৰ্য্যোধনৰ যুদ্ধাকাংক্ষালৈ চাই বিদুৰে দুৰ্য্যোধনক এটি অতি প্ৰাচীনৰো প্ৰাচীন কাহিনী কৈ থাকিল ঃ

এক কিৰাতৰ জালত দুটা পক্ষী আটক হৈ পৰিল। তেতিয়া পক্ষীদ্বয়ে এক হৈ দেহৰ সমস্ত বল একত্ৰিত কৰি সেই জালৰে সৈতে আকাশলৈ উৰা মাৰিলে আৰু কিৰাত দৌৰি দৌৰি গৈ থাকিল।

এই দৃশ্যলৈ চাই মুনি এগৰাকীয়ে কিৰাতক ক'লে, "মূৰ্খ, পক্ষীয়ে জাল লৈ আকাশলৈ উৰি আছে, আৰু তুমি মাটিৰ ওপৰত দৌৰিছা। এই দৌৰেৰে কিবা লাভ হ'বনে ?" তেতিয়া কিৰাতে মুনিক ক'লে, 'হে মুনিবৰ, এই পক্ষীদ্বয়ে পৰস্পৰৰ লগত কাজিয়া নকৰালৈকে মোৰ ব্যৰ্থতা অপদাৰ্থতাক মই মানি লৈছোঁ। কিন্তু যেতিয়াই পক্ষীদ্বয়ৰ মাজত কাজিয়া লাগি পৰিব, পক্ষী আৰু জাল তললৈ পৰিব, আৰু মই মোৰ কাৰ্য্যত সফল হ'ম।' বুদ্ধিশালী কিৰাতে জাল আৰু পক্ষী উভয়েই হস্তগত কৰিব পাৰিছিল।

এই কাহিনী কোৱাৰ অন্তত বিদুৰে দুৰ্য্যোধনক ক'লে, "পুত্ৰ, যেতিয়া স্বজনৰ মাজত দন্দ-বান্দ হয়, তেতিয়া সেই পক্ষীদ্বয়ৰ দৰেই অৱস্থা হয়গৈ। তুমি ভূমি হস্তগত কৰাৰ লোভত কালিলৈ যি যুদ্ধৰ পাতনি তৰিবলৈ ওলাইছা, তাৰ ফলো অতি নিশ্চিতভাবেই তেনেকুৱাই হ'ব পাৰে। গতিকে—সময় থাকোঁতে সতৰ্ক হোৱাঁ।" [আগলৈ



সংবাদ চমক

ভুব গৈ থকা ভাওৱাৰাকা পৰা সংকেত

পৌৰানিক কাহিনী অনুযায়ী, ভাওৱাৰাকা (গুজৰাটত) হ'ল এখন মহানগৰ যি শ্ৰী কৃষ্ণৰ দ্বাৰা প্ৰতিষ্ঠিত কৰা হয়। অতিশোনকালে পতিষ্ঠকৰ পাৰ হৈ যোৱাৰ পাছত, মহানগৰটো পানীত ভুব গৈ থাকে।

ডঃ আৰ, এছ ৰাও, ভাৰতীয় মেৰাইন আৰকিওলজিৰ দয়ান যোনে পৌৰানিক কালৰ খনন কাৰ্য্যত মনোনিবেশ কৰে, তেঁখেতে কয় যে



শ্ৰী কৃষ্ণৰ মহানগৰটো কুশাস্থলীৰ ধবংসাবশেষৰ পৰা সৃষ্টি হয়। এখন পৌৰানিক দ্বীপ, তিনি হেজাৰ আৰু সাত হেজাৰ বছৰ আগত। কিন্তু মাত্ৰ এশ বছৰ পাছত এইটো সাগৰৰ দ্বাৰা গশ্বাস হয়। ধ্বংস হোৱাৰ এসপ্তাহৰ আগত শ্ৰীকৃষ্ণই তাৰ পৰা মানুহবিলাকক আতৰাই নিয়াৰ প্ৰস্তুতি চলায়। ডঃ ৰাওৰ মতে, ভাওৱাৰকা নিমাৰ্নৰ বাবে শ্ৰী কৃষ্ণই এক পুনঃপ্ৰাপ্তি পদ্ধতি ব্যৱহাৰ কৰে যি পদ্ধতি আজিকালি ও ব্যৱহাৰ হৈ থাকে।

পুঁজি কম থকাৰ বাবে ভাওৱাৰকাৰ খনন কাৰ্য্য স্থগিত ৰখা হয়। সমপূৰ্ণ পৰিকল্পনাটো বি বি চি য়ে এখন চিত্ৰনাট্য বা চিনেমা তৈয়াৰ কৰিব।

পৃথিবীৰ সবতকৈ বেচি বহুদিনীয়া পদভ্ৰমী

ঘাহৰিৰ, এজন জৰভেনৰ বসতি যাৰ বয়স হল ১২৮, যোনে সকলোঠাইত পৰিভ্ৰমন কৰে। তেঁখেতে তেঁখেতৰ মৃত্যুৰ দিনলৈকে ভ্ৰমন কৰে। তেঁখেতে জৰভেনৰ প্ৰতিষ্ঠাতা, ৰজা আব্ দুল্লা - ১ ৰ লগত যৌৱনকালত ঘোড়া আৰ উটেৰে দৌড়

প্ৰতিযোগিতা কৰে। তেঁখেতে মিঠাই আৰু ফল ভাল পাইছিল, কিন্তু বহুদিন তেঁখেতে উপবাসত কঁটাইছিল।

পৃথিবীত ঘুৰাফিৰা জীৱৰ ভিতৰু সৰ্ববৃহৎ ডাঙৰ জীৱ

"এইটো সচাঁকৈ আঁচৰিত। এইটো পৃথিবীত ঘুৰাফিৰা জীৱৰ ভিতৰত সৰ্ববৃহৎ জীৱ।" ওক্লাহামা বিশ্ববিদ্যালয়ৰ দক্ষ ৰিচাৰ্ড চাইকিলিয়ে

কয়। তেঁখেতে এটা দল পঠায় যি দলটো বিচাৰি উলিয়ায় যে, ডাইনোছৰটো দক্ষিনপূৰ্ব ওক্লাহামাত আছিল। এইটো অতি সহজই যিকোনো ছয়তলা দালানৰ খিৰিকি ছুব পাৰিছিল।

চান্দমামা
কোলাৰ কাকত
১১৩

শোভাময়
ভাৰত

কাজিৰঙা অভয়াৰণ্য

কাজিৰঙা ন্যাশ্বন্যাল পাৰ্ক তথা অভয়াৰণ্য এশিঙীয়া ভাৰতীয় গঁড়ৰ কাৰণে ভুৱন-বিদিত। ভাৰতৰ উত্তৰ-পূৱ সীমান্ত—অসামৰ ব্ৰহ্মপুত্ৰ উপত্যকাত ৪৩০ স্কোৱেয়াৰ কিল'মিটাৰলৈকে বিয়পি আছে এই অভয়াৰণ্য। এই স্থান কাৰবি আংলঙৰ নামনিত অৱস্থিত। ভাৰতীয় গঁড়ক অৱলুপ্তিৰপৰা ৰক্ষাৰ বাবে ১৯২৬ চনত এই বিৰাট তথা অনুপাম সৌন্দৰ্য্যৱতী অৰণ্যক অভয়াৰণ্যৰূপে ঘোষণা কৰা হৈছিল। ১৯০৮ চনলৈকে এই অভয়াৰণ্যত সৰ্বমুঠ ১২টি গঁড় আছিল, কিন্তু এতিয়া কমেও ১৬০০ গঁড় এই অভয়াৰণ্যত আছে।

ভাৰতীয় গঁড় এটিৰ ওজন গড়ে—১৮০০ কিল'গ্ৰ্যাম আৰু ৫.৫ ফুট ওখ হয়। যদিও—পৃথিৱীত সৰ্বাধিক ডাঙৰ গঁড় আফ্ৰিকাত আৰু সৰাতোকৈ সৰু গঁড় সুমাত্ৰাত পৰিলক্ষিত। সুমাত্ৰাৰ সৰুৰো সৰু গঁড়ৰ গড় ওজন ১০০০ কিল'গ্ৰ্যাম আৰু ৪.৫ ফুট ওখ। জাভা দ্বীপত এক বিৰল প্ৰজাতিৰ গঁড় পৰিলক্ষিত হয়।

কাজিৰঙাৰ অৰণ্য—মূলতঃ জলাহ। কিন্তু অন্যান্য বহুবিধৰ গছ-গছনিও নথকা নহয়। ভ্ৰমণাৰ্থী সকলৰ বাবে কাজিৰঙা এক অতুলনীয় অভয়াৰণ্য—এই কথা বাহুল্য নহয়।

পুৰুৰৱা

চন্দ্ৰবংশীয় ৰজা পুৰুৰৱাই বৰ বৰ যজ্ঞ পাতি দেৱতাসকলক তুষ্ট কৰিছিল। তেওঁ অহৰহঃ দেৱলোকলৈ অহা-যোৱা কৰিছিল। এদিন দেৱলোকলৈ যাওঁতে তেওঁ অৰ্দ্ধ পথতে করুণ আৰ্তনাদ শুনি ঘূৰি চালে। তেতিয়া কেশি নামৰ ৰাক্ষসে উৰ্বশী আৰু চিত্ৰলেখা নামৰ দুজনী অপ্সৰাক বলেৰে ধৰি নিছিল। পুৰুৰৱাই কেশি ৰাক্ষসক পৰাজিত কৰি অপ্সৰাদ্বয়ক নিৰাপদে স্বৰ্গলোকলৈ লৈ গৈছিল।

কিছুদিনৰ অন্তত এদিন এগৰাকী মুনিৰ শাপত উৰ্বশী মানৱীৰ ৰূপ ল'বলৈ আৰু লগে লগে ভূলোকলৈকো নামি আহিবলৈ বাধ্য হ'ল। মানৱীৰূপী উৰ্বশীৰ অপৰূপ ৰূপ দৰ্শন কৰি ৰজা পুৰুৰৱা বিমুগ্ধ হ'ল আৰু বিবাহৰ প্ৰস্তাৱ দাঙি ধৰিলে। উৰ্বশীয়ে বিবাহ-প্ৰস্তাৱলৈ সন্মতি দিলে, কিন্তু চৰ্ত হিচাপে ক'লে, যে—তাইৰ সৈতে থকা হৰিণা দুজনীক পুৰুৰৱাই ৰক্ষা কৰিব লাগিব। যেতিয়ালৈকে হৰিণা দুজনী সুৰক্ষিত হৈ থাকিব, উৰ্বশীও পুৰুৰৱাৰ পত্নী হৈ থাকিব। পুৰুৰৱাই উৰ্বশীৰ চৰ্ত মানি ল'লে।

পতি-পত্নী হিচাপে উভয়েই বহুদিনলৈকে সুখী জীৱনৰ উম পালে। ইপিনে—উৰ্বশীৰ শাপ-কালৰ সমাপ্তি হওঁ হওঁ হ'ল। উৰ্বশীৰ অবিহনে ইন্দ্ৰও মনোবেদনাৰ মাজত আছিল। ইন্দ্ৰই হৰিণা দুজনীক হৰণ কৰি আনিবলৈ এজন গন্ধৰ্বক ভূলোকলৈ পঠালে। এক ধুমুহাৰ নিশা যেতিয়া হৰিণা দুজনীক গন্ধৰ্বই হৰণ কৰি লৈ যাবলৈ ধৰিলে, তেতিয়া পুৰুৰৱাই অকস্মাৎ সাৰ পাই গন্ধৰ্বৰ পিছ খেদি গ'ল, কিন্তু গন্ধৰ্বক ধৰিব নোৱৰাত উৰ্বশীও তৎক্ষণাৎ স্বৰ্গলোকলৈ গুচি গ'ল।

উৰ্বশীৰ অবিহনে ৰজা পুৰুৰৱা বলিয়াহেন হৈ উঠিল। তেতিয়া দয়ালু দেৱতাসকলে বছৰেকত এবাৰকৈ কুৰুক্ষেত্ৰত পুৰুৰৱাৰ সৈতে উৰ্বশীৰ মিলনৰ বন্দৱস্ত কৰি দিছিল।

পণ্ডিতসকলৰ মতে, উৰ্বশী-পুৰুৰৱাৰ বৃত্তান্তৰ বহুতো গূঢ়াৰ্থ আছে। উৰ্বশী-পুৰুৰৱাৰ অমৰ প্ৰেম-গাথা আজিও সজীৱ হৈ জনমনত প্ৰেমৰ নিজৰা বোৱাইছে।

জানন-মানন

কছাক



তাহানিতে ৰুশ্বদেশখন আছিল নানান পৰ্বতীয়া জাতি-উপজাতিৰ দেশ। এওঁলোক ঘাইকৈ এছিয়া মহাদেশৰ পৰ্বতীয়া ঠাইৰপৰা অটব্য অৰণ্যৰপৰা অৰণ্যৰ বুকু ফালি পৰ্বত বগাই ইয়ালৈ আহিছিল আৰু নিগাজী হৈ বসতি কৰিছিল। এওঁলোকৰে অন্যতম আছিল — ডন্ নামৰ নৈপৰীয়া কছাক উপজাতি। ডন্ নৈ কৃষ্ণ সাগৰৰ সমীপস্থ আনোজ সাগৰলৈ মিলিছেগৈ। এই কছাক উপজাতিৰ লোকসকল অশ্ব-চালনাতো ইমানেই সুনিপুণ যে এওঁলোকৰ সমকক্ষ ঘোঁৰাচোৰাবী পৃথিৱীত আন নাই। আৰু সেইহে—পৃথিৱীৰ সৰ্বাতোকৈ সুদক্ষ অশ্বাৰোহী সৈন্য হ'ল কছাক। এওঁলোকৰ গীত-বাদ্যও ভুৱন বিখ্যাত। এওঁলোকৰ অশ্বাৰোহণ আৰু গীত-বাদ্যকো অননুকৰণীয় বুলি কোৱা হয়।

ৰাম্ৰ-জখলা

জীৱনবৃক্ষ

নিমৰ বিজ্ঞানীয় নাম হ'ল—'মেলিয়্যা অ্যাযাডিৰ্য্যাক্ট্যা'। নিম দক্ষিণ ভাৰতৰ আচাৰ-অনুষ্ঠান পূজা-পাৰ্বণতো বহুলভাবে ব্যৱহৃত হয়। কিছু কিছু স্থানত—নিমৰ ডাল পাতেৰে অপদেৱতা তথা ভূত-প্ৰেতও খেদিব পাৰি—এই জন-বিশ্বাস প্ৰচলিত। যি কি নহওক ভূত-প্ৰেত খেদিব পাৰক-নোৱাৰক—নিমে যে পোক-পৰুৱা দূৰতে বিদূৰ কৰিব পাৰে তাৰ বিজ্ঞানীয় প্ৰমাণ আছে, আৰু আছে—নিমত ব্যাধিমুক্তিৰ শক্তি। নিমৰ কোমল পাত পেটৰ নানান বেমাৰৰপৰা মুক্ত ৰখাৰ বাবে শিশুহঁতক খুউৱা হয়। নিমৰ পাত-ছাল-ডাল শিপা—সকলো সকলোতে সমভাবে আদৰণীয়।

বিদ্ৰোহৰ বীৰগাথা



[ইস্ট ইণ্ডিয়া কম্প্যানিৰ বিৰুদ্ধে তথা বৃটিছ-ৰাজৰ বিৰুদ্ধে ভাৰতৰ জনমন সাৰ্বিকভাবে উত্তেজিত হৈ উঠিল, আৰু ইংৰাজ বাহিনীক ঠায়ে ঠায়ে বীৰ বিদ্ৰোহী সকলে থেকেচিবলৈ ধৰিলে। কিন্তু উন্নত অস্ত্ৰবলেৰে বলীয়ান ইংৰাজ বাহিনীয়ে পৰ্য্যুদস্ত হোৱা অৱস্থাৰপৰা পুনৰ বিজয়ৰ অৱস্থালৈ আহিল আৰু সিহঁতে ঝান্সী আক্ৰমণ কৰি ঝান্সীৰ খাৰ-বাৰুদৰ গুদামবিলাকো অৱৰোধ কৰি পেলালে আৰু সেই খাৰ-বাৰুদ নিজ বাহিনীৰ কামত লগালে। আৰু তাৰ পাছত .....]

স্যাৰ হিউ ৰ'জৰ নেতৃত্বত বৃটিছ সৈন্যবাহিনীয়ে ঝান্সীৰ দুৰ্গৰ পূব ফাললৈ গৈ থাকিল। তাত স্থিত খাৰ-বাৰুদৰ গুদামবোৰ সিহঁতে অধিকাৰ কৰি নিজৰ কামত লগাবলৈ ধৰিলে। তথাপি, দুৰ্গৰ ভিতৰত যিমান নাৰী-পুৰুষ আছিল, তেওঁলোকে দৃঢ়তাৰে বৃটিছ সৈন্যৰ মুখামুখি হ'ল আৰু দুৰ্গৰ ভিতৰলৈ ইংৰাজ বাহিনীৰ প্ৰবেশত প্ৰবল বাধা দিবলৈ ধৰিলে। এওঁলোকে বহুতো ইংৰাজ সৈন্যক হেলাৰঙে বধিলে।

দুৰ্গৰ প্ৰাচীৰলৈ বগাই উঠিবলৈ চেষ্টা কৰি থকা এক দুৰ্দ্ধৰ্ষ ইংৰাজ বিষয়াক তললৈ বগৰাই পোলাৱা হ'ল, আৰু তাৰ ফলত ইংৰাজ-বাহিনীয়ে কিঞ্চিত হোঁহকা দিলে।

পাছদিনা, ৰাতিৰ পৰতে বৃটিছ তম্বুত ইংৰাজ সেনাধিপতি স্যাৰ হিউ ৰ'জে তেওঁৰ

'বিদ্ৰোহ আজি বিদ্ৰোহ চাৰিভিতি'

সৈন্য-বাহিনীৰ আগত এই কথা কৈ আছিল ঃ

"আমাৰ কিমান যে যোগ্যৱান সৈনিকৰ মৃত্যু হ'ল ! ঝান্সীৰ ৰাণী লক্ষ্মীবাঈয়ে যে আকলেই আমাৰ ইমানবোৰ সৈনিকক বধিব পাৰিব—এই কথা মোৰ কল্পনায়ো ঢুকি পোৱা নাছিল। এতিয়া উপলব্ধি হ'ল যে—ৰাণী লক্ষ্মীবাঈ অবলা নহয়—সবলা। যথেষ্ট সবলা। এই ৰাণীক যেনেতেনে জীয়ন্তে পাকৰাও কৰিব লাগিব। আৰু সেয়ে হ'ব আমাৰ মহত্বপূৰ্ণ বিজয়। যদি একান্ত প্ৰয়োজন হয় বলীক জখম কৰিম পৰা যাব, কিন্তু মনত ৰাখিব লাগিব যে ৰাণীক জীয়ন্তে ধৰি আনিবই লাগিব। ৰাণী লক্ষ্মীবাঈৰ পৰা আমি বিদ্ৰোহীহঁতৰ তলা-নলা জানিম, ৰাণীয়ে আমাৰ পদপ্ৰান্তত আঁঠু লৈ বিদ্ৰোহ কৰাৰ অপৰাধৰ বাবে ক্ষমা ভিক্ষা কৰিব—প্ৰাণ ভিক্ষা কৰিব—তেহে আমাৰ বিজয়লাভ পৰিপূৰ্ণ হ'ব।" এখন্তেক ৰৈ স্যাৰ হিউৱে পুনৰ সকলোটিলৈ চালে আৰু ক'লে, "ৰাণী লক্ষ্মীবাঈক জীয়ন্তে ধৰি অনাজনক অভাৱিত পুৰস্কাৰেৰে পুৰস্কৃত কৰা হ'ব।"

যেতিয়া ইংৰাজ-বাহিনীৰ তম্বুত ৰাণীৰ বিৰুদ্ধে এনেহেন ষড়যন্ত্ৰ চলি আছিল, তেতিয়াই কিছু সংখ্যক উল্লেখযোগ্য ব্যক্তিয়ে বিদ্ৰোহৰ বিষয়ে আলচিবলৈ ঝান্সীৰ ৰাণীৰ কাষ চাপিছিল।

তেতিয়া ৰাণী লক্ষ্মীবাঈয়ে আহত সৈনিক সকলৰ চিকিৎসা ব্যৱস্থা পৰিদৰ্শন কৰি আছিল। এগৰাকী প্ৰমুখ ব্যক্তিয়ে ৰাণীমাতাক

প্ৰণাম কৰিলে আৰু ক'লে, "আই, এতিয়া আৰু কোনো অৱস্থাতে পলম কৰিব নোৱাৰি। কালিলৈ ৰাতি পুউৱাৰ লগে লগেই শত্ৰুসৈন্যই আমাক নিশ্চয় আক্ৰমণ কৰিবহি। খাৰ-বাৰুদ নোহোৱাকৈ সিহঁতৰ আক্ৰমণৰ প্ৰতিৰোধ কৰাটো দুঃসাধ্য—অসম্ভৱ। আপুনি অদ্বিতীয় সাহসিক কাৰ্য্য কৰিলে, যি কাৰ্য্য ইয়াৰ আগতে আমাৰ দেশৰ্ কোনো ৰজা বা ৰাণীয়ে কৰা নাছিল। কিন্তু—এতিয়া আৰু সময় নাই। শত্ৰু-পৰিবেষ্টিত হোৱাৰ আগতেই—বিদ্ৰোহ-বিপ্লৱৰ স্বাৰ্থতে আপুনি এই দুৰ্গ এৰি আন ঠাইলৈ যাব লাগিব।"

"মই মোৰ মাতৃভূমিৰ ৰক্ষাৰ্থে প্ৰাণ আহুতি দিয়াটো আপোনালোকে

নিবিচাৰেনে ?" ৰাণীয়ে মিঠাকৈ হাঁহিৰে সুধিলে।

"আই, আমাক ক্ষেমিব। এই দেশত আগলৈ নিশ্চয় বহুতো বীৰ পুৰুষ—বীৰ নাৰী উপজিব, কিন্তু আপোনাৰ তুলনা আপুনিয়েই হৈ থাকিব। আপুনি যে মৃত্যুলৈ একেবাৰেই ভীতা নহয়, আমি জানো। কিন্তু আমাৰ সন্দেহ, ক্ৰূৰ বৃটিছ সৈনিকহঁতে আপোনাক জীয়ন্তে বন্দী কৰি অপমান-অত্যাচাৰ কৰিব। এই কথা ভাবিলেই আমাৰ দেহ-মন বিকল-বিৱশ হয়, আমি দুখৰ সাগৰৰ পাৰ-কূল নেদেখা হওঁ।

ৰাণীয়ে চকু মুদি কিয়ৎক্ষণলৈ ভাবি চালে আৰু তাৰ পাছত ক'লে, "আপোনালোকৰ কথন সত্য, আপোনালোকৰ পৰামৰ্শ মানি চলাটোও মোৰ কৰ্তব্য। মই এই দুৰ্গ এৰি গুচি যোৱা উচিতেই। কেৱল নিজৰ প্ৰাণৰক্ষাৰ কথা নহয়, অন্য অন্য প্ৰান্তৰ বিপ্লৱী সকললৈ অনুপ্ৰেৰণা যোগাবৰ বাবেও হয়তো মই জীয়াই থকা আৱশ্যক। দেশৰ বহুতো স্থান ইংৰাজমুক্ত কৰিব লাগিব। এই লক্ষ্যলৈ স্থিৰ থাকি আপোনাসৱৰ পৰামৰ্শ মই নিশ্চয় গ্ৰহণ কৰিম।"

"নানাছাহিব আৰু তান্তিয়া তোপিদেউ সঠিক সময়ত আহি পোৱাহেঁতেন—এতিয়াৰ পৰিস্থিতি ইমান জটিল-বিপজ্জনক হৈ নুঠিলহেঁতেন। যি কি নহওক, আমি আমাৰ মাতৃভূমিত ঝান্সীৰ পতাকা উড্ডীন ৰাখিমেই। আৰু তাৰ বাহিৰে আমাৰ অন্য কামও নেদেখোঁ।" ব্যক্তিৰাকীয়ে ক'লে।

ৰাণীয়ে যাতে নিৰাপদে দুৰ্গ এৰি ওলাই যাব পাৰে, তাৰ বাবে আৱশ্যকীয় ব্যৱস্থা-বন্দৱস্ত কৰা হ'ল। চোৰাংচোৱাহঁতে আশ-কাষত তেতিয়ালৈকো ইংৰাজ সৈন্য নথকাৰ বাতৰি কঢ়িয়াই আনিলে।

আৰু—শিশু দত্তকপুত্ৰ দামোদৰক পিঠিত বান্ধি লৈ, দুজনী লিগিৰী আৰু কিছু সংখ্যক দেহৰক্ষীৰে সৈতে ৰাতিৰ এন্ধাৰৰ মাজেদি দুৰ্গ এৰি ৰাণী ওলাই পৰিল এক অতি মহান উদ্দেশ্য অন্তৰত লৈ—মাতৃভূমিক মুক্ত কৰিবই লাগিব।

পৰিকল্পনা মতেই—ৰাতি পুৱাৰ লগে লগেই ইংৰাজৰ সৈন্যবাহিনীয়ে ঝান্সীৰ

বিশাল দুৰ্গক চাৰিওফালৰেপৰাই আগুৰি ধৰিলে । দুৰ্গৰ ভিতৰত থকা নাৰী-পুৰুষসকলে ইংৰাজ সৈন্যৰ বিৰুদ্ধে মুখামুখি সংঘৰ্ষত লিপ্ত হ'ল। কিছুমান ইংৰাজ সৈন্যই দুৰ্গৰ সুউচ্চ প্ৰাচীৰলৈ বগাই উঠাৰ চেষ্টাত সফল হ'ল, আৰু সিহঁতে দুৰ্গৰ প্ৰধান প্ৰবেশ-দ্বাৰ খুলি দিয়াৰ লগে লগে ইংৰাজ সৈন্যবাহিনীয়ে ঢলনি পানীৰ দৰে দুৰ্গৰ ভিতৰলৈ সবেগে সোমাই আহিল।

দুৰ্গৰ ভিতৰত যিমান নাৰী-পুৰুষ আছিল, তেওঁলোক আছিল নিৰস্ত্ৰ। তথাপি, হাতৰ ওচৰত যেৱে যিহকে পালে, তাৰেই ইংৰাজ বাহিনীৰ বিৰুদ্ধে মুখামুখি যুদ্ধ কৰি কৰি প্ৰাণ বিসৰ্জিলে। চাওঁতে চাওঁতে অসংখ্য দুৰ্গ-বন্দীৰ মৃত্যু হ'ল আৰু সংখ্যাতীত নাৰী-পুৰুষ আহত হ'ল। বন্দী হিচাপে লোৱা নাৰী-পুৰুষ সকলৰ ওপৰত ইংৰাজ সৈন্যহঁতে দুৰ্গৰ ভিতৰতে প্ৰচণ্ডতম অত্যাচাৰ চলাবলৈ ধৰিলে। এনেহেন অমানুষিক অত্যাচাৰৰ ঘাই কাৰণ আছিল—ৰাণীৰ সা-সন্ধান। ইংৰাজ সৈন্যহঁতে বিত বিতকৈ বিচাৰিও ৰাণীৰ সা-সন্ধান নাপাই জান্তৱ উগ্ৰতাৰে দুৰ্গস্থ সকলোটিৰ ওপৰত অত্যাচাৰৰ ৰথ চলাই দিলে।

ৰাণী লক্ষ্মীবাঈ যে কেনেকৈ কফুৰৰ দৰে নোহোৱা হৈ গ'ল, ইংৰাজ দল-নায়কহঁতে সেই কথাৰ আগ-গুৰি একোৱেই ঠাৱৰ কৰিব নোৱাৰি বলিয়াহেন হৈ উঠিল । সিহঁতে বিৰাট- বিশাল দুৰ্গৰ চুকে-কোনে ৰাণীক

বিচাৰিবলৈ ধৰিলে । আনকি পানী নথকা কুঁৱাবিলাকো বাদ নপৰিল, আৰু কুঁৱাবিলাকত ৰাণীক নাপাই সিহঁতে কিছুমান নাৰী পুৰুষক কুঁৱাৰ ভিতৰলৈ ঠেলি পেলাই মাৰিলে।

ঝান্সীৰ এই অতি গুৰুত্বপূৰ্ণ দুৰ্গ অধিকাৰ কৰাৰ পাছত স্যাৰ হিউৱে ৰাণীৰ ওচৰত পৰাজিত হোৱা যেন পাই বিমৰিষ হ'ল । তেওঁৰ মুখ্য উদ্দেশ্য আছিল—দুৰ্গ অধিকাৰ নহয়— ৰাণীক জীয়ন্তে বন্দী কৰা । সেই উদ্দেশ্যত তেওঁ সম্পূৰ্ণ ব্যৰ্থ।

সিপিনে—ঝান্সীৰ দুৰ্গৰপৰা অলপমান আঁতৰত—এটা এৰাবাৰীহেন অট্টালিকাত বোকৰা নামৰ এক দল-নায়ক বৈ আছিল।

বোকৰৰ লগত আন কিছুমান অনুচৰো আছিল। হঠাৎ এন্ধাৰৰ মাজত এক বিশেষ দৃশ্য দেখা পাই বোকৰ সচকিত হৈ উঠিল ঃ ইমান এন্ধাৰৰ মাজেদি—এই মাজনিশাৰ পৰতে—অশ্বাৰূঢ় হৈ গৈ আছে—কোননো? কোন? —পুৰুষনে নাৰী — ?

ভাবি ভাবি বোকৰাই এসময়ত জঁাপ মাৰি থিয় হৈ তাৰ অনুচৰহঁতক আদেশ কৰিলে—সেই ঘোঁৰা চোৰাবীৰ পিছ ল'ব লাগে—সেই ঘোঁৰাচোৰাবীক যেনেতেনে পাকৰাও কৰিব লাগে। আৰু এই বুলি কৈ, বোকৰাই নিজেও জঁাপ মাৰি তাৰ ঘোঁৰাৰ পিঠিত উঠি তীব্ৰ গতিৰে ঘোঁৰা চলাই দিলে ঘোঁৰা-চোৰাবীৰ পিছে-পিছে উল্কাবেগেৰে আগবাঢ়িবলৈ ধৰিলে।

বোকৰা নিঃসন্দেহঃ এন্ধাৰৰ সেই ঘোঁৰা-চোৰাবী আন কোনো নহয়—স্বয়ং ৰাণী লক্ষ্মীবাঈ। আৰু—লক্ষ্মীবাই ৰাণীক জীয়ন্তে ধৰিব পাৰিলে যে ইংৰাজহঁতে তাক আনকি কোনোবাখন ৰাজ্যৰ ৰজাও পাতি দিব পাৰে— সেই কথাতো সি নিঃসন্দেহ।

এন্ধাৰৰ মাজত—ক'লা সাজ-পাৰেৰে আবৃত সেই ঘোঁৰা-চোৰাবী ও সুতীব্ৰ গতিৰে গৈ আছিল। এইবাৰ বোকৰাই বিজুলী গতিৰে তাৰ ঘোঁৰা চলাই দিলে আৰু চাওঁতে চাওঁতে সেই আউঁসীৰ ঘোৰ অন্ধকাৰৰ অশ্বাৰোহীৰ প্ৰায় কাষ পালেগৈ।

বোকৰাই বলিয়াৰ দৰে চিঞৰি দিলেঃ "ঘোঁৰা ৰখোৱা, নহ'লে মৰিবা—ৰুখ্ যাও-ও — ! ৰোকো-ও-ও— !"

মুহূৰ্ততে সেই অন্ধকাৰৰ অশ্বাৰোহীয়ে ঘূৰি চালে, আৰু বিদ্যুৎগতিৰে খাপৰপৰা তৰোৱাল উলিয়াই কষাকষিকৈ গৈ থকা বোকৰাৰ মূৰটো একেঘাপে দুছোৱা কৰি মাটিলৈ বগৰাই পেলালে।

চাওঁতে চাওঁতে দেশদ্ৰোহী বিশ্বাসঘাতী বোকৰাৰ অনুচৰহঁত তালৈ আহিল। সিহঁতে সিহঁতৰ নায়ক বোকৰাৰ তেজেৰে লুতুৰি-পুতুৰি হোৱা মৃতদেহটোৰ চাৰিওফালে কিংকৰ্তব্যবিমূঢ়ৰ দৰে থিয়-হৈ থাকিল।

আৰু তিমানতে অন্ধকাৰৰ অশ্বাৰোহী ৰাণী লক্ষ্মীবাঈ নোহোৱা হৈছিলেই।



যাৰ কোনো বিকল্প নাই

সু প্ৰাচীন কালৰ কথা। তেতিয়া কৌটিল্যৰাজ্যৰ শাসক তথা ৰজা আছিল শ্ৰীশ্ৰীসুমন্তসংৰৰ্ধন। কেৱল মানসিক ফালৰেপৰাই নহয়, শাৰীৰিক ফালৰপৰাও তেওঁ আছিল নিৰ্বলীবিধৰ। সুমন্তৰজাৰ ককা-আজোককাও ৰজা আছিল আৰু তেওঁলোক আছিল যথেষ্ট শক্তিমান-সুবিবেচক প্ৰজামংগলকাৰী ৰজা। তেওঁলোকে তেওঁলোকৰ বংশপৰম্পৰাই পোৱা বিশেষ এক 'মহিমা' অৰ্থাৎ দৈৱশক্তি প্ৰাপ্ত হৈছিল, যি-মহিমা বা দৈৱ-শক্তিৰে কি মাউৰত কি আকালত ৰাজ্যৰ শাসন-ভাৰ সুকলমে চন্তালিব পাৰিছিল। সুমন্তৰজায়ো পুৰুষানুক্ৰমে এই দৈৱ-শক্তি প্ৰাপ্ত হৈছিল, কিন্তু এই শক্তিৰ কোনো উপযোগ তেওঁ কদাপি কৰা নাছিল। কিয়নো এই প্ৰত্যক্ষ দৈৱ-শক্তিৰ উপযোগ কৰাৰ দৰে শিক্ষা বা কোনো ধৰণৰ ইচ্ছা, তথা বিবেক তেওঁৰ মাজত নাছিল।

বহুদিনৰ পাছত যেতিয়া সুমন্তদেউ সিপৰীয়া হ'বৰ হ'ল, তেতিয়া তেওঁ তেওঁৰ পুত্ৰদ্বয়ক ক'লে, "পুত্ৰহঁত, মই সকলোফালৰেপৰাই নিৰ্বলী হৈ আছিলোঁ, আৰু তাৰ ফলত—ৰজা হিচাপে মই এক ব্যৰ্থ জীৱন যাপি এতিয়া সিপাৰলৈ বুলি যাত্ৰা কৰিছোঁ। তোমালোকৰ ককা-আজোককাবো আগৰ আমোলৰেপৰাই এই ৰাজবংশ এক মহিমাৱান দৈৱশক্তিৰ অধিকাৰী। কিন্তু—এই দৈৱশক্তিৰ অধিকাৰী হোৱা সত্ত্বেও মই প্ৰজাৰঞ্জক ৰজা হ'ব নোৱাৰিলোঁ। ইয়াৰপৰা উত্তৰ দিশৰ ৰাজ্যসীমাত এড়ৰা অটব্য অৰণ্যৰ মাজত এক জাগ্ৰতা কালী গোসাঁনীৰ দ'ল আছে। এই জাগ্ৰতা কালী গোসাঁনীয়েই হ'ল

অক্ষয় বৰ্মন

আমাৰ ইষ্টদেৱী। সেই দ'লৰ গৰ্ভ-গৃহত থকা অতি সৰু দুৱাৰত টেমাৰ দৰে সৰু খিলি এডাল দেখা পাবা। সেই খিলিডাল খোলা মাত্ৰেই দেখা পাবা কিছুখিনি চাউল। এই চাউল কালীমাতাৰ নাম সুঁৱৰি আমাৰ ৰাজ্যৰ ভূমিত ছটিয়ালেই সেই চাউলৰপৰা হাজাৰ-বিজাৰ সুসজ্জিত সৈন্য সৰক অন্য ৰাজ্যক আমাৰ অধীনস্থ কৰাৰ কামত লগাব পৰা যাব, আৰু কাম শেষ হোৱামাত্ৰেই সেই সৈন্যহঁত পুনৰ চাউললৈ ৰূপান্তৰিত হ'ব, আৰু তেতিয়া সেই চাউল দ'লৰ গৰ্ভ-গৃহৰ ভিতৰত থৈ আহিব লাগিব। আৰু তাত পাবা এক অক্ষয়পাত্ৰ, যি-অক্ষয় পাত্ৰৰ মহিমাৰে ৰাজ্যৰ সকলো প্ৰজাক দিন-মাহ-বছৰ ধৰি অন্নদান কৰিব পৰা যাব। কেৱল ইমানেই নহয়, আৰু এক বিস্ময়জনক কথা আছে। ৰাজ্যখনক যদি কেতিয়াবা প্ৰচন্ড খৰে কোবাই যায়, তেতিয়া সেই দ'লৰ কালী মাতাক পূজা কৰি তেওঁৰ হস্তস্থিত খড়গ লৈ আহিবা আৰু খড়গ জোকাৰিবা, লগে লগে আকাশখন ক'লীয়া ডাৱৰে ঢাকি ধৰিব, আৰু সঁতাধৰা বৰষুণ দিব, ৰাজ্যখন পুনৰ সেউজেৰে ভৰি পৰিব, আকাল-অনাটন দূৰতে বিদূৰ হ'ব। আৰু এক মুখ্য কথা শুনা। মন্ত্ৰোচ্চাৰিত চাউলৰপৰা যিবোৰ সৈনিকৰ সৃষ্টি হ'ব, সিহঁতে যদি ঠিক মতে অন্ন নোপোৱা হয়, পুনৰ চাউললৈ ৰূপান্তৰিত হ'ব আৰু ৰাজ্যৰ সৈন্যশক্তি একেবাৰে নোহোৱা হ'ব। তেতিয়া—অন্য দেশ-ৰাজ্য জয় কৰা দূৰৰে কথা নিজ ৰাজ্যৰ সুৰক্ষাও টান হৈ উঠিব আৰু তাৰ ফলত তোমালোকৰ হানি হ'ব। —পুত্ৰহঁত, এইবোৰ যিবোৰ ক'লোঁ মনত ৰাখিবা, আৰু এই বিষয়ে সততে সতৰ্ক হৈ থাকিবা।"

পুত্ৰদ্বয়ক এইবোৰ নাজান-অজান কথা বুজাই কোৱাৰ পাছতো এই বিষয়ে—বিশেষকৈ ডাঙৰ পুত্ৰৰ মাজত—কোনো কৌতূহলৰ বা জনাৰ ইচ্ছাৰ বা ভূ লোৱাৰ ইচ্ছাৰ চিন-মোকামো নেদেখি সুমন্তদেউ কিঞ্চিত চিন্তিত হ'ল। কিন্তু তথাপি তেওঁ সিহঁতক এই বিষয়ে আৰু একো নক'লে।

সুমন্তৰজাৰ মৃত্যুৰ অন্তত ডাঙৰজন ৰাজকোঁৱৰ ৰজা হ'ল। কিছু দিনৰ অন্তত

বৰষুণ নিদিয়াত দেশত আকালে মূৰ দঙা হ'ল।

প্ৰজাবৰ্গ অনাহাৰত মৰিবলৈ ধৰিলে। সমগ্ৰ দেশত হাহাকাৰ বিয়পি পৰিল। আকাল- ৰাক্ষসীয়ে-ঠা-ঠকৈ অট্টহাঁহিৰে গগন কঁপাই তুলিলে।

ৰজা ডাঙৰ ৰাজকোঁৱৰে মন্ত্ৰিমণ্ডলীক সমাৱিষ্ট কৰিলে আৰু বহু আলোচনা বিলোচনাৰ অন্তত নিৰ্ণয় ল'লে যে সেই মহিমা তথা দৈৱ-শক্তি থকা খড়গ লৈ আহিব লাগে আৰু বৰষুণ নমাই ৰাজ্যৰক্ষা কৰিব লাগে।

পাছদিনা কিছুমান সৈন্যৰে সৈতে যেতিয়া ৰজা ডাঙৰ ৰাজকোঁৱৰ কালী গোসাঁনীৰ মন্দিৰলৈ বুলি খোজ লোৱা হ'ল, তেতিয়া অনুজ ৰাজকোঁৱৰে ক'লেহি, "ময়ো তোমাৰ সৈতে ওলাওঁনে?"

ৰজা অগ্ৰজই হাঁহি মাৰি ক'লে, "মই বাট-পথো চিনি পাওঁ, আৰু অশ্ব পৰিচালনাতো দক্ষ। মোৰ লগত এশ সৈনিক গৈ আছে। এনেহেন পৰিস্থিতিত—তুমি যোৱাৰ কোনো আৱশ্যকতা নেদেখোঁ।" এই বুলি কৈ, জাঁপ মাৰি ঘোঁৰাত উঠি, ৰজা অগ্ৰজ গুচি গ'ল।

তিনিডৰা অৰণ্য পাৰ হোৱাৰ পাছত আকাল ৰাক্ষসীয়ে ৰজা অগ্ৰজৰ বাটৰ ভেটি ধৰিলে। তেতিয়া ৰজাৰ সৈন্যহঁতে আকাল-ৰাক্ষসীলৈ যাঠি দলিয়াবলৈ ধৰিলে। আকাল-ৰাক্ষসীয়ে অট্টহাঁহিৰে অৰণ্য কঁপাই ক'লে, "মহিমা-খড়্গ ননালৈকে, আৰু তাৰে বৰষুণ

ননমোৱালৈকে কোনেও মোৰ কোনো অনিষ্ট কৰিব নোৱাৰে। তোমালোক মহিমা খড়গ আনিবলৈ ওলাইছা, আৰু মায়ো তোমালোকক জলা-কলা কৰিছোঁ যে—এয়ে মোৰ কাম। মই তোমালোক বাট ভেটি ধৰিমেই।" এই বুলি কৈ, আকাল-ৰাক্ষসীয়ে ফু মাৰি কোবাল বতাহৰ সৃষ্টি কৰিলে আৰু সেই বতাহে সৈন্যবিলাকৰে সৈতে ৰজাকো উৰুৱাই নি নগৰৰ উপকন্ঠত জোৰেৰে থেকেচি পেলালে।

এই ঘটনাৰ কথা জানি অনুজ তৎক্ষণাৎ ঘোঁৰাত উঠি কালী গোসঁনীৰ মন্দিৰলৈ বুলি ৰাওনা হ'ল। গৈ গৈ সেই অৰণ্য পাই দিনে-পোহৰে অৰণ্যৰ ভিতৰলৈ সোমাবলৈ চেষ্টাও

কাম কৰি মই ডাঙৰ হ'ম।

পাছদিনা ৰজা অগ্ৰজ কালী মন্দিৰলৈ গ'ল আৰু মহিমাৱান অক্ষয়পাত্ৰ লৈ মন্দিৰ এৰি পুনৰ নগৰলৈ উভতি আহিল।

ৰজা অগ্ৰজই ঘোষণা কৰিলে ঃ

"আমাৰ দেশৰ মৰমৰ প্ৰজাবৰ্গ, আপোনালোকে পেটৰ খজুৰতি মাৰিবলৈ আৰু দিনে-নিশাই মূৰৰ ঘাম ভৰিত পেলাই অযথা শ্ৰম কৰিব নালাগে। মই এনেকুৱা এক বন্দৱস্ত কৰিছোঁ, যাৰ যহতে আপোনালোকে কোনোবিধৰ শস্য উৎপাদন নকৰাকৈয়ো সুস্বাদু অন্নাহাৰ সুখেৰে পাই আৰু খাই থাকিব। কাইলৈৰেপৰাই ৰাজকীয় অন্নদান কেন্দ্ৰলৈ ল'ৰা-ছোৱালী ডেকা-বুঢ়া যি য'ত যত আছে—দলে-বলে আহক, আৰু দন টানি খাই-বৈ ঘৰলৈ গৈ মাত্ৰ শুই থাকক।"

আৰু পাছদিনাৰেপৰাই ৰাজকীয় অন্নদান কেন্দ্ৰই ৰাজ্যৰ ৰাইজক মহিমাৱান অক্ষয় পাত্ৰৰ সহায়ত বিনামূলীয়াকৈ অন্নদান কৰিবলৈ ধৰিলে।

কিছুদিনৰ অন্তত দেখা গ'ল যে—ৰাইজৰ হাতত কোনো কামেই নাই। ৰাইজৰ কাম থাকিল কেৱল ৰাইজ-ঢাক দি আহি খোৱা, আৰু ঘৰলৈ গৈ শোৱা। আনকি তুহত হগা বোন্দায়ো কিছু কাম কৰে, কিন্তু এই ৰাইজ নলৰে-নচৰে। যেতিয়াই চাবা, চাবা—টোপান মাৰিছে। লাহে লাহে অৱস্থাই এই সীমা পালেগৈ—সিহঁতে যে কোন—কিয় জনমিল—সেই কথাটোও

নকৰিলে।

গভীৰ ৰাতিৰ পৰতে, যেতিয়া আকাল-ৰাক্ষসীয়ে শুই নিঃপালি দিলে, তেতিয়া হাতত সাৰে-ভৰিত সাৰে অনুজে কালী-মন্দিৰ পালেগৈ।

কালী গোসাঁনীলৈ ভক্তি-শ্ৰদ্ধা জনোৱাৰ পাছত অনুজে গোসাঁনীৰ খড়গপাট লাহেকৈ লৈ মন্দিৰৰ তথা অৰণ্যৰ বাহিৰলৈ ওলাই আহিল, আৰু পুনৰ ঘোঁৰাত উঠি বিজুলী গতিৰে নগৰলৈ উভতি আহিল।

কিন্তু অনুজৰ এই কাৰ্য্যত ৰজা অগ্ৰজে বেয়া পালে, ভায়েকৰ প্ৰতি ৰজা অগ্ৰজৰ অন্তৰত হিংসাৰ জুই জ্বলি উঠিল, তেওঁ ভাবিলেঃ অনুজতকৈয়ো ডাঙৰ মহিমাৱান

সিহঁতে পাহৰি পেলালে, সিহঁত একেবাৰে অকামিলা ধোদৰ পচলা হৈ উঠিল।

এনে অৱস্থাত—মহামন্ত্ৰীৰ পৰামৰ্শত —ৰজা অগ্ৰজই এদিন ৰাজ্যৰ সামগ্ৰিক অৱস্থাৰ জোখ-মাক ল'বলৈ ওলাল। ওলাই—ৰজাই ৰাজ্যৰ আৰু ৰাইজৰ বিভচ ৰূপলৈ চাই উচপেই খোৱা হ'ল। গোটেইখন ৰাজ্যয়েই যেনিবা এখন প্ৰকাণ্ড মৰিশালি!

খেতি নাই বাতি নাই পথাৰত ধান নাই শস্যৰ কোনো চিন-মোকামেই নাই—সকলোতে নাই নাই নাই। কিন্তু এই ভয়াবহ বিভৎস কথাত ইমান বৃহৎ দেশখনৰ প্ৰজা-ৰাইজৰো কোনো সাৰসুৰ নাই!

এই শ্মশানহেন অৱস্থালৈ চাই ৰজাই অবাক মানিলে, প্ৰমাদ গণিলে।

তেওঁ তেওঁৰ মন্ত্ৰিগণক সমাৱিষ্ট কৰি ৰাজ্যৰ ভয়াবহ পৰিস্থিতিৰ বিবৰণ দাঙি ধৰাত মহামন্ত্ৰীয়ে ক'লে, "মহাৰাজ, আপোনাৰ দৈৱশক্তি নিৰ্ভৰ অক্ষয়পাত্ৰৰ ব্যৱহাৰেই ৰাজ্যৰ এই অবস্থাৰ কাৰক। অক্ষয়পাত্ৰৰ মহাদৈৱশক্তিৰে আমাৰ প্ৰজাৰাইজ অধঃপাতে যোৱা হৈছে, আৰু তাৰ অনিবাৰ্য্য পৰিণামত আমাৰ ৰাজ্যখনেও মৰিশালিৰ ৰূপ লৈছে। ৰাজ্যৰ বুদ্ধিশালী ব্যক্তিসকলো আপোনাক এতিয়া বলিয়াৰজা হিচাপে আঁৰত চৰ্চ্চিছে।"

মহামন্ত্ৰীৰ বক্তব্য যে সমগ্ৰ মন্ত্ৰিমণ্ডলীৰ বক্তব্য, সেই কথা উপলব্ধি ৰজা অগ্ৰজই অকালতে বাণপ্ৰস্থ ল'লে আৰু মন্ত্ৰী সেনাপতি ৰাজপুৰোহি প্ৰমুখই সৰ্বসম্মতিক্ৰমে অনুজক সিংহাসনত অধিষ্ঠিত কৰিলে।

সিংহাসনত অধিষ্ঠিত হোৱাৰ মুহূৰ্তমানৰ পাছতেই স্বয়ং ৰজা অনুজে কালী গোসাঁনীৰ খড়গ পুনৰ জাগ্ৰতা কালী মাতাৰ হস্তত থৈ দিলে আৰু দেশৰ ৰাইজৰ মাজত শ্ৰমৰ মৰ্য্যাদাক পুনৰ প্ৰতিষ্ঠিত কৰিলে।

মানৱজাতিয়ে জীয়াই থকাৰ বাবে দৈৱ-শক্তিনহয়, আত্মশক্তিয়েই একমাত্ৰ অৱলম্বন —সমগ্ৰ ৰাজ্যৰ ৰাইজৰ অন্তৰত অনুজ ৰজাই এই মহাসত্যক প্ৰতিষ্ঠিত কৰিলে। অনুজ ৰজাই সগৌৰৱে এই মহাসত্যক সুপ্ৰতিষ্ঠিত কৰিলে ঃ মানৱজাতিৰ পক্ষে মৰ্য্যাদাকৰ হ'ল আত্মশক্তি—যাৰ কোনো বিকল্প নাই।

ফোটো নামকৰণ প্ৰতিযোগিতা

ফোটো-নামকৰণ দুই-তিনিটা শব্দেৰে হ'ব লাগিব।
প্ৰতিযোগিতা 'কোন মাহৰ বাবে' উল্লেখ কৰিব -
লাগিব। ২০০০ চনৰ জানুয়াৰী মাহৰ।

**ফোটো–
নামকৰণ
প্ৰতিযোগিতা**

**CHANDAMAMA
BUILDINGS,
VADAPALANI,
CHENNAI - 26.**

২৫ তাৰিখে আমি পোৱাকৈ পঠাব লাগিব। সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক নামকৰণৰ বাবে ১০০ টকা পুৰস্কাৰ দিয়া হ'ব। কেৱল প'স্টকাৰ্ডত লিখি যথাসময়ত পোৱাকৈ তলৰ ঠিকনালৈ পঠাব লাগিব।

বিজয়ী প্ৰতিযোগী ঃ
পুলকচন্দ্ৰ বায়ন
লাইমুখৰা / শ্বিলং / মেঘালয়
বিজয়ী নামকৰণ ঃ
ৰলৰ ৰৰতী — নেপূৰ বায়তী
[পুৰস্কাৰৰ ধন এই মাহৰ শেষৰ ফালে পঠোৱা হ'ব]

চান্দমামাৰ বছৰেকীয়া বৰঙনি ঃ
ভাৰতত ১২০.০০ টকা মাথোন

Payment in favour of CHANDAMAMA INDIA LIMITED for details address you enquires to : Publication Division, Chandamama Buildings, Vadapalani, Chennai-600 026

PARAG PRINTS LTD.
222, 223, Ashoka Tower, Ring Road, Surat. Tel. : 91 (0261) 628734.

Maha Cruise

Nutrine Maha Lacto. The Best Lacto in Town.